# মই কনকলতা

*উপেন কুমাৰ দাস*
*২য় বৰ্ষ, উঃ মাঃ শ্ৰেণী*

দুৰ্জয় ভাৰত মাতৃৰ
ৰাহুগ্ৰস্ত ৰবিৰ
মুকুতিৰ সপোন দেখা
মুকুতিৰ সপোন ৰচা
ময়ে সেই কনকলতা ।

গহপুৰ থানাত
ত্ৰিৰঙ্গ পতাকা উৰুৱাই
বন্দুকৰ গুলি বুকু পাতি লোৱা
মৃত্যু-বিজয়ী ময়ে সেই কনকলতা ।
অহিংস বিপ্লৱী অসম দুহিতা ময়ে সেই কনকলতা ॥

শুনা সাম্ৰাজ্যবাদী ! শুনা কাণ পাতি-
লুইতপৰীয়া গাভৰু মই
জানোঁ আঁচল পাতি লব বন্দুকৰ গুলি ।
শতৰুৰ বন্দুক, কামান আৰু ৰণচালি
নকৰোঁ ভয় মই, কৰা নাই কোনো কাহানি ।

শুনা, আকৌ শুনা, হে নীচ ষড়যন্ত্ৰকাৰী !
মৃত্যু মোৰ হোৱা নাই, নহয় কোনো কাহানি
মোৰ সতে লাচিত-মণিৰাম, কুশল-পিয়লি, মকুন্দ-ভোগেশ্বৰী
এতিয়াও আছে জীয়াই হিয়াই হিয়াই ।

# গীত

*প্ৰাণেশ্বৰ নাথ,*
*প্ৰবক্তা, ৰাজনীতি বিজ্ঞান*

এনে এটি দিনৰ
মধুৰ ক্ষণে
হৃদয় জুৰ কৰে
একেই মাটিৰ একেই ভাষাৰ
সুৰ শুনিলেই
জীৱন আশাৰে ভৰে ॥

শান্তিৰ শলিতাৰে
পাতো দীপাৱলী
শঙ্খ ঘণ্টা বাজে
আকাশ নিনাদি
পৃথিৱী তোমাৰ
বিশাল বুকুত
জীৱন পোহৰ কৰে ॥

জ্যোতিৰে ভৰা মন
সূৰ্যোদয়ৰ গোন
মৰম প্লাৱনত গীত-গানে
মানুহক সাবটি ধৰে
জোনাকেৰে পৃথিৱী ভৰে
অনাগত দিনৰ তুলিকাৰে ॥

# তেওঁক লগ পালে

*দেৱজিৎ বৰা*
*১ম বৰ্ষ, উঃমাঃ শ্ৰেণী (বিজ্ঞান শাখা)*

তেওঁক কাহানিবা লগ পালে সুধিবলৈ নাপাহৰিব তেওঁৰ ঠিকনা
দিনৰ পিছত দিন তেওঁবেই ঠিকনা বিচাৰি মোৰ
বিৰামহীন যাত্ৰা ঃ গ্ৰন্থ বিপণিত, কবিৰ সভাত, আৰ্ট গেলেৰীত ।
তেওঁৰ অন্বেষণ মোৰ বাবে আজি এক ভীষ্মপ্ৰাণ আৱিষ্কাৰকৰ পণ ।

তেওঁক লগ পালে ক'ব ইয়াত সোণালী ধানৰ থোকবোৰ
অকালতে সৰি পৰে কাৰোবাৰ জোতাৰ নিৰ্দয় গচকত
তেজৰ নৈত প্ৰতিদিন ডুব যায় সমাজ, সভ্যতা, সংস্কৃতি । মুমূৰ্ষু বতাহত
চৌদিশে উৰে মেহনতী জনতাৰ হুমুনিয়াহ ।

লগ পালে তেওঁক ক'ব প্ৰতিবাদী কণ্ঠস্বৰ স্তব্ধ কৰিবলৈ
ইয়াত ব্যৱহাৰ কৰা হয় নিৰ্বিচাৰ লাঠী চালনা অথবা বন্দুকৰ গুলি
পোহৰ সন্ধানী মানুহ জাকৰ পৰা পোহৰ কাঢ়ি নিবলৈ
মানুহ জাকক সুমুৱাই থোৱা হয় সুদীৰ্ঘ কাল
অন্ধকাৰ পূতিগন্ধময় লোৰ পিঞ্জৰাত ।

তেওঁক লগ পালে যেনে তেনে লৈ আহিব তেওঁৰ ঠিকনা আৰু ক'ব
এজন কবিৰ হৃদয়ৰ কথা । সেইজন কবি
পোহৰ সন্ধানী মানুহবোৰক বিহ্া সকলো যন্ত্ৰণাৰ সমুখতো
অচল অটল; তেওঁৰ দুচকুত এতিয়াও জলমলাই আছে এটি সপোন ঃ
অনাগত দিনৰ নিৰ্মল এক আকাশত এটি সূৰুযৰ অব্যৰ্থ উদয় ।

তেওঁক লগ পালে আৰু ক'ব তেওঁৰ অবিহনে আমি ইয়াত
ভয়ানকভাৱে অসহায় । আমি হেৰুৱাই পেলাইছোঁ পোহৰ আৰু
বৰ্ণৰ উৎসৰ সকলো পথ । আত্ম-বধত, ভাতৃ-বধত উন্মাদ হৈ
আমন্ত্ৰণ কৰিছোঁ এক অবাঞ্ছিত সময় ....... ।

# বিষণ্ন সংলাপ

বসন্ত কুমাৰ দত্ত,
ভাবপ্ৰাপ্ত অধ্যক্ষ

তুমি গুচি যোৱাৰ বহুদিনেই হ'ল
খবৰ দিৰ্বলৈ আহৰিকে পোৱা নাই
কথাষাব তেনেই মিছা
আচলতে মোৰ বৰ ভয়
কিনো ক'ম- সঁচা মিছা একাকাৰ
নামাৱলীৰ ভিতৰত ৰূপ কদাকাৰ
যেনি তেনি অচিনাকি
অনেক আজাৰ
ভয় হয় ক'লে জানো পোৱা তুমি
সুকোমল মনত বেজাৰ।
শৈশৱৰ ধেমালিৰ লগ
খামুচীয়া নৈখন মাতাল ঘোঁৰা
চেঁকুৰিছে মহতীয়াই গাঁও-ভূই পথাৰ সমাৰ
ভাঙি ছিঙি উটুৱাই নিছে বুকুৰ দলং
কোনে জানে কৰিছে সি জটাধাৰী
শিৱৰ সন্ধান।
নিতাল তাল আহাৰৰ জোনাকী চোতাল
নাতি ল'ৰা নাযাই টোপনি
আইতাৰ হাতত নুঘূৰে বিচনী
সেইযে পুৰাণৰ সাধুবোৰ
সঁচাকৈয়ে সঁচা হ'ল
এজন নহয় দুজন নহয়
জাকে জাকে কাণ খোৱা আহে
কাণ কিয় কলিজাকে গোটে গোটে গিলে।
ক'ম নে বাবুৰ কথা
তুমি তাক চিনিকে নেপাবা
যদিওবা তোমাৰেই নাতি ল'ৰা
মাজত যে অদেখা দেৱাল
সাজি সাজি কথা কয়
কি যে চেন্‌জিটিভ
মিচৰ মতেও সি বৰ টকেটিভ।
একেখন চুবুৰিত দুটা দল
ভাৰত পাকিস্তান
ছবছৰীয়া বাবু ভাৰতৰ কেপ্টেন
অপেনিং বেটচ্‌মেন
অকলেই দুহেজাৰ ৰান কৰে
এটা ইংনিচত
পাঁচটা উইকেট লৈ এক অভাৰত
খিতাপ ৰাখে গিনিজ বুকত।
চকু দুটি তিৰ্ বিৰ্
দেহাটোহে ক্ষীণ
আবোল তাবোল কথা
সি থকা ঠাইখন হেনো বৰ বেয়া
সঁচা ক'লে লাগে লেঠা
তাতেহে মনত বাৰুকৈ ব্যথা
সকলোতে খেলি মেলি বৌজাল বৌজাল
মাথো অনাহুত শব্দৰ জঞ্জাল
নামাতিলেই ভাল নেলাগে জগৰ
'এজাৰ ফুলতো বাগৰে বেজাৰ'
সেয়ে সাজিব খোজে ঘৰ মঙল গ্ৰহত
বুজিকে নাপাবা তুমি তাৰ
অভিমানী আহলাদৰ কথা
আৰুনো কিমান ক'ম
ক'ব গলে হ'ব এক ওভোতা ভাৰত।

# গতানুগতিক

*সুশীল পাটোৱাৰী*
*স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)*

সিদিনা আবেলি আমি ডেকা ল'ৰা কেইজনমানে আমাৰ গাঁৱৰে নামঘৰৰ ওচৰৰ বৰগছজোপাৰ তলত বহি কথা পাতি আছিলোঁ। গৰমৰ দিন। আকাশ মেঘাচ্ছন্ন হৈ থকা কাৰণে গৰমৰ প্ৰকোপ অলপ কম আছিল। আনহাতে পশ্চিম দিশৰপৰা বলি থকা বতাহে আমাৰ গা-মন জুৰ পেলাইছিল। এনে অনুকূল পৰিবেশত আমি হাঁহি খিকিন্দালি কৰি নানা ধৰণৰ কথা পাতিছিলোঁ। কথা পাতি থকা সময়ত হঠাতে মৃদুলে এটা প্ৰস্তাৱ দাঙি ধৰে। প্ৰস্তাৱটি আমি সকলোৱে হাত চাপৰি দি সমৰ্থন কৰোঁ। প্ৰস্তাৱটি আছিল যে আমি সকলোৱে মিলিজুলি এটা খানা বা প্ৰীতিভোজ খাব লাগে। উপলক্ষ একো নাই। কেৱল ডেকা বয়সত কেতিয়াবা সুবিধা পালে এনে ভোজ-ভাত খাই আনন্দ স্ফূৰ্তিত আমি সময় কটাব লাগে।

কথামতে কাম হোৱাটো আমি সকলোৱে বিচাৰোঁ। পলম কৰা নিৰৰ্থক। পাৰিলে সিদিনা ৰাতিয়েই আমি খানাৰ আয়োজন কৰিব লাগে। ভাগ্যক্ৰমে আমাবপৰা কিছু আঁতৰত পঠা ছাগলী এটাই ঘাঁহ খাই থকা আমাৰ চকুত পৰে। মৃদুলে আনন্দতে থিয় হৈ হাত দুখন মূৰৰ ওপৰত তুলি এটি নৃত্যৰ ভঙ্গী লয়। খন্তেক পিছতে হাত চাপৰি দি কৈ উঠে যে আজি আমাৰ ব্যঞ্জনৰ প্ৰধান উপকৰণ হিচাপে এই পঠা ছাগলীটোকে লোৱা হওক। লগে লগে হাত চাপৰি দি সকলোৱে সমৰ্থন কৰিলে।

পঠা ছাগলীটো কৌশলেৰে পাকত পেলাই ধৰাৰ দায়িত্ব পৰিল নিৰূপমৰ ওপৰত। প্ৰথমতে আমি কেইজনমানে ছাগলীটোৰ কিছু ওচৰলৈ গৈ লাহে লাহে খেদি নি তাক কান্তিৰামৰ ঘৰৰ চৌহদত প্ৰবেশ কৰালোঁ। লগে লগে পিছপিনৰপৰা নিৰূপমে দৌৰি গৈ বাপুৰামৰ ডিঙিত খামোচ মাৰি ধৰি নামঘৰৰ পিছফালে অলপ বন থকা চুক এটালৈ লৈ গ'ল। সিপিনে মৃদুলে ঘৰৰপৰা দা এখন আনি নিমিষতে বাপুৰামক সিপুৰীলৈ যোৱাৰ ব্যৱস্থা কৰিলে। কথাটো আন কোনেও গম নাপালে চাগে'।

অনতিপলমে খানাৰ ঠাইখনৰ ব্যৱস্থা হ'ল। তাৰপিছত প্ৰয়োজন হ'ল ভোজৰ আন আন উপকৰণসমূহৰ। হিতেশে কৈ উঠিল যে সি লগা বস্তুখিনিৰ আধাৰ দাম দিব। ইয়াতে ভিকুৱেও তৎক্ষণাৎ কৈ উঠিল যে বাকীখিনিৰ যোগান সি ধৰিব। অঙ্ক মিলি গ'ল। আনুষঙ্গিক আন কিবা বস্তুৰ অভাৱ পূৰণ 'আমিয়েই কৰিম' বুলি কথা দিলোঁ।

মেঘৰ আৱৰণ ফালি ভুমুকি মৰা ৰঙা বেলিয়ে শেষকণ হাঁহি মাৰি ইতিপূৰ্বে বিদায় লৈছে। তাৰ ঠাই লৈছে ঈষৎ এন্ধাৰে। কাৰো দৃষ্টিগোচৰ নোহোৱা ঠাই এটুকুৰাত আমাৰ কেইজনমানে মাংসখিনি কটা-বছাত লাগি গ'ল। অলপ আঁতৰত আমি খন্তেক বহি জিৰণি লৈছোঁ। এনেতে আদ্‌বয়সীয়া তিৰোতা এজনীয়ে আমাৰ কাষলৈ আহি অলপ উৎকণ্ঠাৰে সুধিলে, 'বোপাহঁত, তোমালেকে কলা পঠা ছাগলী এটা এইখিনিতে ঘাঁহ খাই থকা দেখিছিলা নেকি ?'' আমাৰ মুখৰপৰা তৎক্ষণাৎ একেবাৰে পোনপটীয়া উত্তৰ ওলাই আহিল- 'নাই'। তাৰ লগত আছিল অৱশ্যে আমাৰ এটি পলায়নবাদী মন। নিৰাশ হৈ তিৰোতাজনী গুচি গ'ল।

আমি আৰু পলম নকৰি খানাৰ ঠাইলৈকে গ'লোঁ। কেইজনমানে বৰ আনন্দ আৰু উৎসাহেৰে খানা প্ৰস্তুত কৰা কাৰ্য্যত ব্যস্ত হৈ পৰিল। মৃদুলে গাঁৱৰে

ভোগীৰামক মাতি আনি ৰন্ধা কামত লগাই দিলে। ৰাতি তেতিয়া প্ৰায় আঠ বাজিছে। সকলো যোগাৰ পাতি হোৱাত ৰন্ধা কাম চলি থাকিল। আনন্দ আৰু উল্লাসত সকলো মছগুল হৈ পৰিল। অনতিপলমে 'মাইক' এটা অনাৰ ব্যৱস্থা কৰা হ'ল। লগে লগে 'মাইক'ত হিন্দী গানৰ সুৰ বাজি উঠিল। কাণতালমৰা যান্ত্ৰিক শব্দ। ওচৰৰ মানুহখিনিৰ অসুবিধা নিশ্চয় হৈছে। কিন্তু তেওঁলোক নীৰৱে থাকিবলগীয়া হৈছে। আজিকালি ডেকাচামকনো কোনে ভয় নকৰে ? নিচাত মচ্গুল হৈ হিতেশ আৰু আন কেইজনমানে বিকৃত ভঙ্গীত আৰু সুৰত হিন্দী গানক অনুকৰণ কৰি গান আওৰাইছে। লগতে বিকট চিঞৰৰ মাৰি এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰিছে। সিহঁতৰ কথাবো কোনো লাগ্ বান্ধ নাই। মুখত যি আহে তাকে গাইছে। খন্তেক পিছতে আমি আনকেইজনমানো এই আনন্দ স্ফূৰ্তিৰ অংশীদাৰ হৈ পৰিলোঁ। খানা খাই উঠাত নিশা প্ৰায় ২ বাজিছিল। তাৰ পিছতো আমাৰ স্ফূৰ্তি-তামাচা আদি শেষ হোৱা নাছিল। ভোগীৰাম কেতিয়াবাই গ'ল। আমাৰ কিছুমানে তাচ্ খেলাত ব্যস্ত হৈ পৰিল। মাইকত হিন্দী গীতৰ সুৰ তেতিয়াও বাজি আছিল। নিশা প্ৰায় তিনি মান বজাত আমাৰ কিছুমানে ঘৰমুৱা হ'ল। আমি আনবোৰে ওচৰৰে ক্লাৱ ঘৰটোত থাকিলোঁ। মাইকটো বন্ধ কৰি থোৱা হ'ল। নিদ্ৰাদেৱীয়ে আমাৰ হুলস্থুলীয়া পৰিবেশৰ সামৰণি মাৰিলে।

ৰাতিপুৱা সাৰ পালোঁ। খোলা খিড়িকীয়েদি বেলিৰ পোহৰ-ৰশ্মি চকুত পৰিল। হিতেশ, ভিৰু আৰু আন দুজন তেতিয়াও টোপনিত বিভোৰ হৈ আছিল। সিহঁতক মাতি সিহঁতৰ টোপনি ভঙাবৰ মন নকৰিলোঁ। পলম নকৰি দুৱাৰখন মেলি ঘৰলৈ খোজ ল'লোঁ। এনেতে হঠাতে কিছু দূৰত আকৌ সেই ছাগলীৰ গৰাকীজনীক আহি থকা দেখা পালোঁ। মই বাটতে থমকি ৰলোঁ। তিৰোতাজনী মোৰ ফালেই আহি আছিল। মোৰ ওচৰলৈ অহাত তেওঁ আকৌ সেই একেটা প্ৰশ্নকে উত্থাপন কৰিলে ---"বোপা, ছাগলীটো কালি সন্ধিয়া এইখিনিতে দেখিছিলি নেকি ?" তপৰাই উত্তৰ দিলোঁ, 'নাই দেখা !"

তিৰোতাজনীৰপৰা জানিব পাৰিলোঁ যে তেওঁ বিধবা। ল'ৰা এজন। আমাৰ গাঁৱৰপৰা কিছু দূৰত থকা বস্তি এটাত পঁজাঘৰত কোনোৰকম পেটেভাতে খাই থাকে। আজি এবছৰ হ'ল তাৰ দেউতাক ঢুকাইছে। ওচৰৰে কাৰখানা এটাত কাম কৰিছিল। ল'ৰাটোৱে হেনো এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা দিব। পিছদিনা 'ফৰম্ ফিল্ আপ' কৰিব। গতিকে টকা লাগে। সেয়ে সেই ছগলীটোকে তেওঁৰ সাঁচতীয়া ধন হিচাপে থৈ দিছিল। সিদিনাখন মানুহ এজন অহাৰ কথা আছিল। তেৱেঁই ছাগলীটো দুশ টকাত কিনিব বুলি কৈছিল। কান্দি কান্দি তিৰোতাজনীয়ে কৈছিল যে সেই টকাৰে তেওঁ লেঠাটো মাৰিব বুলি ভাবিছিল। কিন্তু কথাতে কয় বোলে 'মানুহে পাঙে, ঈশ্বৰে ভাঙে।' ল'ৰাটোৰ কপালত লিখা-পঢ়া নাই বুলি তেওঁ ক'লে। কণা বিধাতাই হেনো তেওঁলোকৰ দৰে দুখীয়া পৰিয়ালত লিখা-পঢ়া হ'বলৈ নিদিয়ে। মোৰ বৰ দুখ লাগিল। কিন্তু তেওঁক সান্ত্বনা দিবলৈ মই একো ভাষা বিচাৰি নাপালোঁ। তেওঁ কান্দি কান্দি গুচি গ'ল। লগতে ছাগলীচোৰক অভিশাপ দি গ'ল।

মই নিৰ্বাক হৈ তাতে থিয় হৈ থাকিলোঁ। তেওঁৰ এনে অৱস্থাৰ কাৰণে আমিয়েই যে দোষী। তৎক্ষণাৎ দৌৰি গৈ তেওঁক যেন ওভতাই আনি আচল কথাটো ব্যক্ত কৰিম। ভাব হ'ল কালি নিশা মতলীয়া হৈ মঙহ নাখালোঁ...... গৰলহে খালোঁ। পেটত থকা সমস্ত খাদ্য উগাৰি দি তেওঁৰ সন্মুখতে মই যেন কৈ উঠিম -- 'চাওক, চাওক ! মই এতিয়া নিকা। ছাগলীটো মই ধৰা নাই আৰু মৰাও নাই। সিহঁতেহে.....মাথো সিহঁতেহে.....'

# অয়না

*বিষ্ণু ৰাম দাস*
*স্নাতক ১ম বৰ্ষ (বিজ্ঞান)*

সঁচা কথা ক'বলৈ গ'লে মই এনে মৰ্মান্তিক ঘটনাৰ বিষয়ে একো জানিব পৰা নাছিলোঁ । মানুহ এজনীৰ মৃতদেহ যে তেনেদৰে পাৰ্কত পৰি থাকিব পাৰে, ই মোৰ সপোনৰো অগোচৰ আছিল । পুৱা বজাৰ কৰি ঘূৰি আহোঁতে এই দৃশ্য মোৰ চকুত পৰে । মৃতদেহটোৰ চাৰিওফালে মানুহৰ জুম । বিভিন্নজনে বিভিন্ন ধৰণে মৃতকৰ বিষয়ে মন্তব্য কৰিছে । কোনোবাই কৈছে যে তিৰোতাজনীয়ে খুব সম্ভৱ আত্মহত্যা কৰিছে। কোনোবাই আকৌ আনে তাইক কিবা কাৰণত হত্যা কৰি তেনেদৰে তাত পেলাই থৈ গৈছে বুলি কয় । আন এজনে কিন্তু তিৰোতাজনীক হত্যা কৰি তাত থৈ যোৱাৰ আঁৰত কিবা ৰহস্য থকা বুলিয়ে মন্তব্য কৰে । কৌতূহলবশতঃ নাকত ৰুমালখন ৰাখি মই মৃতদেহটিৰ কাষ চাপিলোঁ । চিনিব নোৱাৰিলোঁ তিৰোতাজনী নো কোন ! আমাৰ চুবুৰিটোৰ বাসিন্দা নিশ্চয় নহয় । তাত গোট খোৱা মানুহখিনিবো কোনেও তাইক চিনিব নোৱাৰিলে । ঘটনাটোৰ সবিশেষ জানিবলৈ খন্তেক তাত থিয় দি থাকিলোঁ । বেছি সময় তাত থাকিব নোৱাৰোঁ কাৰণ মোৰ অফিচলৈ যোৱাৰ সময় হ'বহি । গোটখোৱা মানুহখিনিৰ কিছুমানে তাৰপৰা গুচি গ'ল । এনেতে কেইজনমান আৰক্ষী তালৈ আহি উপস্থিত হ'ল । তেওঁলোকে মানুহখিনিক অলপ কৰ্কশ সুৰত তাৰপৰা আঁতৰি যাবলৈ ক'লে । মানুহখিনি অলপমান আঁতৰ হোৱাত আৰক্ষী কেইজনে তাৰপৰা মৃত দেহটিক গাড়ীত তুলি লৈ গ'ল । দুই এজনে অলপ সাহ কৰি সোধাত আৰক্ষী এজনে কৈছিল, "তিৰোতাজনী সম্ভৱ ওচৰবে গাঁৱৰ । ৰাতি আত্মহত্যা কৰিছে চাগে' । মৰণোত্তৰ পৰীক্ষাৰ অন্তত জানিব পৰা যাব ।"

অফিচলৈ যোৱা পলম হ'ব পাৰে বুলি ভাবি মই আৰু পলম নকৰাকৈ ঘৰৰ ফালে খোজ ললোঁ । ঘৰলৈ আহি এঘন্টাৰ ভিতৰতে খোৱা লোৱা আদি সকলো শেষ কৰি অফিচলৈ গ'লোঁ। অফিচতো সকলোৰে মুখত সেই একে কথা । সহকৰ্মী নৰেনে ক'লে, "জনামতে তিৰোতাজনীৰ অলপতে বিয়া হৈছিল । কিন্তু তাইৰ মৃত্যু কি পৰিস্থিতিত হ'ল, - ই অজানিত হৈ আছে । আন কথাত তাইৰ অকাল মৃত্যু ৰহস্যজনক বুলি ক'ব পাৰি । আত্মহত্যা বা আন যিকোনো ধৰণৰ হত্যাও হ'ব পাৰে । মুঠতে ই বৰ দুখ লগা ঘটনা ।" বৰবাবু হাজৰিকাই কিন্তু ঘটনাটোৰ বিষয়ে এনেদৰে কৈ উঠিল, "আজিকালি নাৰীহত্যাৰ আঁৰত বহুতো কথা লুকাই থাকে । অৱশ্যে মৰণোত্তৰ পৰীক্ষাত আত্মহত্যা নে আনে কৰা হত্যা জনা যাব । তাত বাহিৰে আৰু কিনো জনা যাব ? হত্যাৰ আঁৰত কি কাৰণ থাকে তাক জনা বৰ টান । তাৰ কাৰণে তদন্তৰ প্ৰয়োজন হয় । তিৰোতাজনীক চিনাক্ত কৰা প্ৰথম কৰ্তব্য হ'ব । তাই নিশ্চয় আমাৰ এই সৰু চহৰখনৰ বাসিন্দা নহয় । আৰক্ষীয়ে কোৱামতে তাই হেনো ওচৰৰে গাঁও এখনৰ ।" কথাখিনি কৈ বৰবাবুৱে চিগাৰেট এটা জ্বলাই ল'লে আৰু চিগাৰেটটো হুপিবলৈ ধৰি নিজৰ ফাইলৰ কামত ব্যস্ত হৈ পৰিল । আমি আন সকলেও তেওঁৰ কথাষাৰ সমৰ্থন কৰি নিজ নিজ কামত আত্মনিয়োগ কৰিলোঁ ।

গতানুগতিকতাৰে অফিচৰ যাৱতীয় কাম কৰি গ'লেও মই মৃত তিৰোতাজনীক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা ঘটনাটো পাহৰিব নোৱাৰিলোঁ । বাৰে বাৰে তাইৰ মৃত্যুৰ ৰহস্যৰ বিষয়টো মোৰ মনলৈ আহিবলৈ ধৰিলে । আবেলি পাঁচ বজাত মই অফিচৰপৰা পোনে পোনে ঘৰমুৱা হলোঁ । ঘৰলৈ আহি দেখো যে মোৰ বন্ধু অৰুণে ড্ৰয়িংৰুমত বহি আলোচনী এখনত চকু ফুৰাইছে ।

"অ, অৰুণ দেখোন ! কেতিয়া আহিলি ?" মই কলোঁ ।

অলপ আগতে আহি পালোঁ । আহি জানিব পাৰিলো যে তই হেনো অফিচতে আছ ।" অৰুণে ক'লে ।

"পিছে, তোৰ আৰু তোৰ ঘৰৰ সকলোৰে ভাল ত' ?"-- মই সুধিলোঁ ।

অৰুণে কৈ উঠিল, "ভাল বেয়াৰ মাজতে আছোঁ । পিছে, তোৰ ভাল তো ?"

"ভাল", মই কলোঁ। "নিজৰা, অ, নিজৰা, এইপিনে আহচোন।"- ভনী নিজৰাক মই মতাত তাই তৎক্ষণাৎ আহি আমাৰ সন্মুখত থিয় হ'ল।

"নিজৰা, এওঁ অৰুণ, --- মোৰ বাল্যবন্ধু। স্কুলত পঢ়ি থকা সময়ত আমি দুয়ো একেলগে খেলিছিলোঁ, ফুৰা-চকা কৰিছিলোঁ আৰু একে ক্লাচৰে ছাত্ৰ আছিলোঁ। আজি বহুদিনৰ মূৰত আমাৰ ইয়ালৈ আহিছে। গতিকে আমাৰ কাৰণে চাহ দুকাপ ভালকৈ বনাই আন। পলম নকৰিবি।" -- কথাখিনি কৈ শেষ কৰাৰ লগে লগে ভনী নিজৰাই 'হ'ব' বুলি কৈ তৎক্ষণাৎ তাৰপৰা পাকঘৰলৈ দৌৰি গ'ল।

চকী এখন ওচৰলৈ টানি আনি অৰুণৰ কাষতে বহিলোঁ। তাক সুধিলোঁ, "আজি কি সকামতনো আহিলি ?"

"সকাম একো নাই। তোৰ খবৰ ল'বলৈহে সোমালোঁ। বহুদিন ধৰি আমাৰ দেখা সাক্ষাৎ হোৱা নাই নহয়।" সি ক'লে।

"বৰ ভাল কথা। তই অহাত মোৰ বৰ ভাল লাগিছে। তোক দেখিলে মোৰ মনত পৰে আমাৰ আগৰ দিনৰ কথাবোৰ। গাঁও এৰি চহৰলৈ আহি চাকৰি কৰিবৰ আজি ভালে কেইবছৰো হ'ল। সুবিধামতে চাকৰিৰ টকাৰে এই মাটিডোখৰ কিনি ঘৰ দুটামান সাজিছোঁ। তই পিছে গাঁৱতে থাকিলি। গাঁৱৰ স্কুলখনতে শিক্ষকতা কৰি আছ। ভালে হৈছে।" ইয়াকে কৈ চিগাৰেট এটা জ্বলাই মুখত লোৱাত নিজৰাই অলপ জলপানেৰে সৈতে চাহ দুকাপ দি গ'ল। চাহ খাই থাকোঁতে দুয়ো বহুতো কথা পাতিলোঁ। কথা প্ৰসঙ্গত অৰুণে হঠাতে কৈ উঠিল, "অ, এটা কথা। আমাৰ গাঁৱৰ শান্তিৰামক তই চিনি পাৱ। তেওঁৰে ল'ৰা গোপালৰ বিবাহিতা পত্নী নয়নাই যোৱা ৰাতি ঘৰৰপৰা ওলাই গৈ এতিয়ালৈকে নিৰুদ্দেশ হৈ আছে। কলৈ গৈছে - কোনেও ক'ব নোৱাৰে। গোপালৰ লগত নয়নাৰ বিয়া হ'বৰ আজি প্ৰায় এমাহমান হ'ল। ঘৰত তাইৰ ননদ, দেৱৰ আৰু শহুৰ-শাহু আছে। জানিব পাৰিছোঁ যে বিয়া হ'বৰ দিনৰেপৰা তাইক ঘৰখনৰ সকলোৱে বেয়া ব্যৱহাৰ কৰাৰ উপৰিও কটু কথা শুনাই আছিল। গিৰীয়েক গোপালেও কথাই-কথাই দোষ ধৰি তাইৰ গালত চৰ মাৰিছিল। আচল কাৰণ আছিল নয়নাৰ দেউতাকে হেনো পাঁচ হেজাৰ টকা যৌতুক স্বৰূপে দিয়া নাছিল। কিন্তু নয়নাৰ দেউতাক দুখীয়া। তেওঁৰ নিজৰ নামত যি দুবিঘা মাটি আছিল তাকে বন্ধকত থৈ তাৰ বিনিময়ত টকা লৈ কোনোমতে বিয়াখন চলাই দিয়ে। কিন্তু শহুৰঘৰৰ কোনেও সেই কথা বুজিবলৈ চেষ্টা নকৰে। সেয়ে দিনে ৰাতিয়ে নয়নাৰ ওপৰত তেওঁলোকৰ অত্যাচাৰ ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰে। নয়নাই জানে যে ইমান টকা তাইৰ দেউতাকে দিব নোৱাৰে। দেউতাক দুখীয়া। কোনোমতে কষ্টেৰে অৰ্জন কৰা টকাখিনিৰে পৰিয়ালটিৰ পোহপাল দিছে। সেয়ে তাই নীৰৱে সকলো সহ্য কৰে। কিন্তু নীৰৱে তাই সকলো সহ্য কৰে যদিও তাইৰ শাৰীৰিক তথা মানসিক অৱস্থা ক্ৰমে বেয়াৰ পিনে ঢাল খায়। তাই প্ৰতিবাদ কৰিব খোজে যদিও, -তাই নোৱাৰে। কেৱল ভাগ্যক দোষ দিয়াৰ বাহিৰে তাইৰ কৰিব লগা একো নাই।"

অৰুণৰ এই কথা শুনি মোৰ মনত বিদ্ৰোহৰ ভাব জাগি উঠে। সমাজৰ এনে কু-প্ৰথাৰ ওৰ কেতিয়া পৰিব ? - এনে প্ৰশ্নই মোৰ মনক বিহুল কৰি তোলে। কু-সংস্কাৰ, কু-নীতি আৰু কু-প্ৰথাই আমাৰ সমাজৰ উন্নতিৰ পথত হেঙাৰ স্বৰূপ হৈছে। এখন নিকা সমাজ গঢ়িব লাগিলে,- এইবোৰ আঁতৰাব লাগিবই। যি হওক অৰুণক সুধিলোঁ, 'পিছত কি হ'ল ?"

চাহখিনি খাই শেষ কৰি কাপটো প্লেটখনত থৈ অৰুণে কৈ উঠিল, "নয়নাই দেউতালৈ চিঠি এখন লিখি থৈ যায়। চিঠিখনৰপৰাই জনা গৈছে যে তাইৰ ওপৰত কৰা অত্যাচাৰ ক্ৰমাৎ বৃদ্ধি পোৱাৰ ফলত তাইৰ বিবাহিত জীৱনৰ সুখ-আনন্দ নাইকিয়া হয়। এই সংসাৰত তাই জীয়াই থকাৰ আশাত চেঁচা পানীহে পৰে। গিৰীয়েকৰ ওপৰত তাইৰ খং দুগুণে চৰে। নিজ চকুৰে সকলো দেখিও তেওঁ নিমাত হৈ থাকে। তাইৰ পক্ষ লৈ দুআষাৰ কথা কোৱাৰ পৰিবৰ্তে তেৰো তেওঁলোকৰ কু-কৰ্মক সমৰ্থনহে কৰে আৰু আনকি নিজেও তাইৰ কটা ঘাঁত নিমখ ছটিয়ায়। সেয়া আছিল তাইৰ কপালৰ লিখন ! চকুলোৰে তাই কেৱল চাৰিওফালে অন্ধকাৰ দেখা পাইছিল।

নয়নাৰ দিনবোৰ দুখ-যন্ত্ৰণাৰে অতিবাহিত হয় । এদিন শাহু আইয়ে তাইক ঘৰলৈ গৈ দেউতাকৰ পৰা টকাখিনি আনিবলৈ কয়। নয়নাই কিন্তু মুখেৰে একো নেমাতিলে । তাই ভালকৈ জানে যে তাইৰ দেউতাকে সেইখিনি টকা দিবলৈ অসমৰ্থ। গতিকে তাই ঘৰলৈ গৈ লাভ নাই । তাইৰ নীৰৱতাত কিন্তু ঘৰখনৰ সকলোৰে খং দুগুণে চৰে । সঁচাই-মিছাই দোষ ধৰি তেওঁলোকে তাইক গালি পাৰিবলৈ ধৰে । আনকি তাইৰ পিঠিত কেতিয়াবা সঘনে কোব নপৰাকৈ নাথাকে । নয়নাৰ সহ্যৰ সীমা নাইকিয়া হয়। নিৰুপায় হৈ তাই গিৰীয়েকক সকলো কথা কয় যদিও তেওঁ কেৱল কৈ উঠে "টকা লাগিবই।" গিৰীয়েকৰ এনে কথাত নয়নাৰ জীয়াই থকাৰ সকলো আশা নিমিষতে নাইকিয়া হয় । যিজন ব্যক্তিক লৈ তাই এখন সুখৰ সংসাৰ ৰচিছিল, সেইজন ব্যক্তিয়ে যেতিয়া তাইৰ দুখ-যন্ত্ৰণাক আওকাণ কৰি তাইক এনে আচৰণ কৰে, তেনে স্থলত তাইৰ মৃত্যুৱেই শ্ৰেয়ঃ" খন্তেক থমকি অৰুণে চিগাৰেটে এটা জ্বলাই ল'লে। চিগাৰেটত টান এটা মাৰি সি কৈ গ'ল- "দেউতাকৰ নিঃসহায় মুখখনৰ ছবি তাইৰ মানস পটত স্পষ্ট হৈ উঠে। 'পাৰিব জানো দেউতাকে সেই টকা দিব ? তাই এবাৰ কৈ চাবনে ?"- এনে প্ৰশ্নই তাইৰ মনলৈ বাৰে বাৰে আহে। কিন্তু তাই জানে যে দেউতাকে বহু কষ্ট কৰি মাটি বন্ধকত থৈ ধনী মহাজনৰ পৰা আনি টকা তাইৰ বিয়াখন কোনোমতে চলাই নিয়ে। সেই টকা ঘূৰাই দি মাটিখিনি উলিয়াই আনোঁতেই তেওঁৰ পানীত হাঁহ নচৰা অৱস্থা হ'ব । ইয়াৰ উপৰি আৰু পাঁচ হেজাৰ টকা দিব লাগিব ! ই অসম্ভৱ !-- নাই, দেউতাকক তাই এই কথা ক'ব নোৱাৰে । তাইৰ কাৰণে দেউতাকৰ এনে অৱস্থা হ'ল ! নহয়,- তাই বৰং ইহ সংসাৰৰ পৰা বিদায় লোৱাই ভাল হ'ব । এনে চিন্তাই তাইৰ মনত ঠাই লয় ।"

চিগাৰেটৰ বাকী থকা অংশত শেষ টান মাৰি অৰুণে কৈ গ'ল "নয়নাই যিহকে নাভাবক, তাইৰ ওপৰত শহুৰ ঘৰৰ সকলোৱে অত্যাচাৰ বাঢ়ি যাব ধৰিলে । শেষত উপায়হীন হৈ যোৱা ৰাতি তাই হেনো ঘৰৰ সকলোৱে টোপনিত লালকাল দি থকা অৱস্থাত অন্ধকাৰৰ সুযোগ লৈ ঘৰৰপৰা ওলাই যায় । তাৰ পাছৰপৰা আৰু তাইৰ খবৰ পোৱা নগ'ল। মা-দেউতাকৰ ঘৰলৈও তাই যোৱা নাই। তেতিয়াহ'লে তাই আত্মহত্যা কৰিলে নেকি ! অৱশ্যে তাইৰ সম্পৰ্কে অনুসন্ধান চলি আছে ।"

কথাখিনি শেষ কৰি অৰুণে বটাৰপৰা তামোল এখন লৈ মুখত ভৰালে। মই ক্ষন্তেক টলকা মাৰি কৈ উঠিলোঁ, 'অৰুণ, আজি ৰাতিপুৱাই মই বজাৰ কৰি ঘূৰি আহোঁতে পাৰ্কত এটা মৃতদেহ দেখা পাওঁ । সেই মৃতদেহটো কোনোবা অচিনাকি তিৰোতা এজনীৰ । নয়নাৰে হ'ব নেকি ? মানুহ তাত ভালেখিনি গোট খাইছিল। কোনেও তাইক চিনিব নোৱাৰিছিল। পুলিচৰ মতে তিৰোতজনী ওচৰৰে গাঁৱৰ আছিল ।"

অৰুণে উচপ খাই উঠিল ! সি ক'লে, " তেন্তে পলম কৰা অনুচিত । বলা, পাৰ্কলৈ যাওঁ ।"

মই কলোঁ, "নহয় অৰুণ, তই মৃতদেহটো তাত এতিয়া দেখা নেপাব । ইতিমধ্যে আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ কাৰণে মৃতদেহটো তাৰপৰা লৈ গৈছে ।"

"বলা, তেন্তে থানালৈ যাওঁ ।" অৰুণে ক'লে।

ভনী নিজবাক মাতি "অলপ পিছতে আমি আহি আছোঁ" বুলি কৈ মই অৰুণৰ লগত তালৈ খোজ ললোঁ । থানালৈ গৈ পোৱাত আমি মৃতদেহটো বগা কাপোৰ এখনেৰে ঢাকি থোৱা অৱস্থাত দেখা পালোঁ। আৰক্ষী এজনৰপৰা জানিব পাৰিলোঁ যে মৰণোত্তৰ পৰীক্ষাৰ অন্তত জনা গৈছে যে তিৰোতাজনীয়ে আত্মহত্যা কৰিছে ।

অৰুণে তৎক্ষণাৎ মৃতদেহটোৰ মুখৰ কাপোৰখন আঁতৰোৱাৰ লগে লগে কৈ উঠিল, "এয়া দেখোন, নয়নাৰ মৃতদেহ !"

"যৌতুকৰ বলি হ'লে তেন্তে ন.....য়.....না..... !!!"- কথাষাৰ এক অস্ফুট বেদনাত মোৰ মুখৰপৰা হঠাতে ওলাই আহিল ।

ধৰাৰ বুকুত তেতিয়া এন্ধাৰ ঘনাই নামি আহিছিল ।

# অনুতাপ

*জাহাৰ আলী*
*স্নাতক ১ম বৰ্ষ*

বিকাশ আৰু মৃণাল দুয়ো পৰম বন্ধু। পিতৃহীন বিকাশে সৰুৰেপৰা সহজ-সৰল স্বভাৱৰ ল'ৰা আৰু এজন মেধাবী ছাত্ৰৰ পৰিচয় দিয়ে। এনে সজগুণৰ অধিকাৰী বিকাশ সকলোৰে মৰমৰ পাত্ৰ হৈ উঠে। দুয়ো একেখন কলেজৰ পৰা বি, এ, পাছ কৰি বিশ্ববিদ্যালয়ৰ এম, এ, শ্ৰেণীত ভৰ্তি হয়। বিকাশৰ সহজ-সৰল স্বভাৱ আৰু তীক্ষ্ণ মেধা শক্তিৰ গুণত মৃণাল সঁচাকৈ মুগ্ধ হয়। তাক অনুকৰণ কৰি মৃণালে পঢ়া-শুনাত আগবাঢ়ি যাবলৈ সমৰ্থ হয়। পঢ়া-শুনাৰ উপৰিও আন সকলো ক্ষেত্ৰতে বিকাশৰ সহায়-সহযোগ সি পায়। মৃণালেও বিকাশৰ সুখ-দুখৰ অংশীদাৰ নোহোৱাকৈ নাথাকে। এম, এ, শ্ৰেণীত ভৰ্তি হোৱাৰ পিছত প্ৰায় সকলো ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাৰ লগত ভালদৰে চা-চিনাকি হয়। মুঠতে অতি কম দিনৰ ভিতৰতে দুয়ো সকলোৰে প্ৰিয় পাত্ৰ হৈ উঠে। সেয়ে ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিকাশ সাধাৰণ সম্পাদক আৰু মৃণাল খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হয়।

কলেজত পঢ়ি থকা সময়ত বিকাশৰ লগত চিনাকি হয় বি,এ, ১ম বৰ্ষৰ ছাত্ৰী জেউতিৰ লগত। বিকাশৰ দৰে জেউতিও এজনী সহজ-সৰল স্বভাৱৰ ছোৱালী। ৰঙা ওঁঠ, দীঘল চুলি আৰু পদুম পাহি সদৃশ চকুৰে সৈতে জেউতি সঁচাকৈয়ে এজনী অতি ধুনীয়া গাভৰু ছোৱালী ৰূপে ধৰা পৰে বিকাশৰ চকুত। প্ৰথম চিনাকি হোৱাৰ দিনৰেপৰা জেউতিৰ প্ৰতি বিকাশ আকৰ্ষিত হৈছিল। পিছত দিন বাগৰি যোৱাৰ লগে লগে সিহঁতৰ ঘনিষ্ঠতাও বৃদ্ধি পায়। জেউতিৰ মনদাপোণতো বিকাশৰ প্ৰতিচ্ছবিয়ে প্ৰায়ে ভুমুকি মাৰিবলৈ ধৰে। লাহে লাহে পৰস্পৰে পৰস্পৰক ভালদৰে বুজি উঠে। এটা সময়ত দুয়ো দুয়োৰে মাজত গঢ়ি উঠা প্ৰেমৰ এনাজৰীডাল স্থায়ী কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হয়।

কিন্তু কাৰ কপালত কি লিখা থাকে কোনেও ক'ব নোৱাৰে। ভাগ্যদেৱী সিহঁতৰ ওপৰত সুপ্ৰসন্ন নহ'ল। নিষ্ঠুৰ নিয়তিয়ে যেন সিহঁতৰ মাজৰ প্ৰেমৰ এনাজৰীডাল ছিঙিবলৈয়ে সঙ্কল্প কৰিলে। সিহঁতৰ মাজত প্ৰতিবন্ধক হৈ থিয় দিলে ধনী, দুৰ্নীতিপৰায়ণ ব্যক্তি অভয় চৌধুৰীৰ পুত্ৰ লম্পট বিজয় চৌধুৰী। যোৱা নিৰ্বাচনত বিকাশৰ প্ৰতিদ্বন্দ্বী আছিল বিজয় চৌধুৰী। বিকাশৰ জয়লাভে বিজয়ৰ অন্তৰত এক শত্ৰুতাৰ বীজ ৰোপণ কৰিছিল। দুয়োৰো মাজত নানা বাক-বিতণ্ডাও হৈছিল। তেতিয়াৰেপৰা বিজয় বিকাশৰ ঘোৰ শত্ৰু হৈ পৰে। ছেগ পালে বিকাশৰ ওপৰত প্ৰতিশোধ ল'বলৈ সি দৃঢ় সঙ্কল্প হয়।

জেউতিৰ ৰূপ লাৱণ্যত বিজয়ো ভোল গৈছিল। সেয়ে সি তাইৰ প্ৰেমাকাঙ্ক্ষী আছিল। কিন্তু তাৰ স্বভাৱ-চৰিত্ৰৰ বিষয়ে জেউতিয়ে নজনা নহয়। সি লম্পট আৰু চৰিত্ৰহীন বুলি সকলোৱে জানে। তাৰ প্ৰতি জেউতিৰ হৃদয়ত এক ঘৃণাৰ ভাবে ঠাই লয়। তাৰ সান্নিধ্য তাইৰ বাবে অসহনীয়। সেয়ে তাই তাৰপৰা আঁতৰি থাকে। কিন্তু বিজয়ো এৰি দিয়া পাত্ৰ নহয়। প্ৰলোভন, ডাবী ধমকি আদি সকলো উপায় অৱলম্বন কৰিও বিজয়ে জেউতিৰ মন টলাব নোৱাৰিলে। প্ৰয়োজনবোধে তাৰ প্ৰতি অপনমানসূচক বাক্যবাণ নিক্ষেপ কৰিবলৈও তাই পিচ পৰি থকা নাই। জেউতিৰ এনে ব্যৱহাৰত বিজয়ৰ খং দুগুণে চৰে আৰু মনে মনে তাৰ পোটক তুলিবলৈ সি সংকল্প লয়।

বিজয় চৌধুৰী কেতিয়াও কতো হাৰ মনা নাই। সি কাৰো আগত কোনো দিনে মূৰ নত কৰা নাই। এতিয়াও নকৰে। পাকে প্ৰকাৰে বিকাশৰ প্ৰতি জেউতিৰ অন্তৰত এক ঘৃণাৰ ভাব সুমুৱাই দিব পাৰিলে জেউতিয়ে নিশ্চয় তাৰপৰা আঁতৰি আহিব আৰু তেতিয়া জেউতিৰ গৰাকী হ'বলৈ তাৰ কাৰণে অতি সহজ হৈ পৰিব। এই অসৎ উদ্দেশ্য সাধন কৰিবলৈ বিজয় চৌধুৰী দৃঢ়প্ৰতিজ্ঞ হ'ল।

ধন আৰু প্ৰতিপত্তি থকা পৰিয়ালৰ ল'ৰা বিজয় চৌধুৰীয়ে যিকোনো কাম তাৰ মন হ'লে কৰিব পাৰে। তাৰ প্ৰতিদ্বন্দ্বী হ'বলৈ কোনেও সাহ নকৰে। সি জানে যে জেউতি, বিকাশ আৰু মৃণালে তাৰ একো অন্যায় কৰিব নোৱাৰে। নিৰ্বাচনত তাৰ পৰাজয়ে তাক ক্ষুব্ধ কৰি তোলে। তাৰ পৰাজয়ৰ কাৰণ হ'ল বিকাশ আৰু আনহাতে জেউতিক সি তাৰ চিৰলগৰীয়া কৰাৰ বাটত বিকাশে প্ৰতিবন্ধক হৈ থিয় দিছে। এনেস্থলত সি তাক ভাল এশকনি দিবলৈহে সিদ্ধান্ত লয়। সেয়ে জেউতিক বিকাশৰ পৰা সি আঁতৰ কৰিবই লাগিব। দৰকাৰ হ'লে তাইক বলপূৰ্বকভাৱে সি কোনো গোপন স্থানলৈ লৈ যাব। এনে কাৰ্যত তাৰ যিকোনো প্ৰতিবন্ধককে সি মষিমূৰ কৰিব। আনকি বিকাশৰ প্ৰাণনাশ কৰিবলৈকো সি পিছপৰি নাথাকিব। যিকোনো প্ৰকাৰে সি প্ৰতিশোধ ল'বই।

বিজয়ে তাৰ অসৎ উদ্দেশ্য সাধন কৰিবলৈ ছেগ চাই আছে। এতিয়া সি প্ৰায়ে ঘৰলৈ যায়। সুবিধা পালে জেউতিক লগ ধৰি বিকাশে তাইক পাহৰি যোৱা বুলি সি কয়। কিন্তু জেউতিয়ে তাৰ কথা বিশ্বাস নকৰে। তাই জানে যে বিকাশ যেনে মেধাবী তেনে অধ্যয়নশীল। এনে ল'ৰা ক্লাচ ক্ষতি কৰি ঘূৰি ফুৰা বিধৰ নহয়। বন্ধ হ'লে সি নিশ্চয় ঘৰলৈ আহিব। বিজয়ে কিন্তু তাইৰ ওচৰত তাৰ প্ৰেম নিবেদন নকৰা নহয়; কিন্তু জেউতিয়ে তাক ঘৃণাৰে প্ৰত্যাখ্যান কৰে।

বিকাশ আৰু মৃণালে নিয়মমতে ক্লাচ কৰি আছে। বিকাশে জেউতিক পাহৰা নাই। তাইৰ কথা তাৰ সদায় মনত পৰি থাকে। ঘৰলৈ গৈ জেউতিক এবাৰ দেখা কৰি আহিব বুলি সি ভাবে। কিন্তু সাধাৰণ সম্পাদক হোৱাৰপৰাই তাৰ আজৰি সময় নাই বুলিয়েই ক'ব পাৰি। পঢ়া-শুনাৰ উপৰিও আন বহুতো কামৰ দায়িত্ব তাৰ ওপৰত। সেয়ে আজি দুমাহ পাৰ হ'ল, কিন্তু সি ঘৰলৈ যাব পৰা নাই নানা ব্যস্ততাত থকা হেতুকে। অৱশো দুদিন পিছত সিহঁতৰ কেইদিনমান ক্লাচ নহ'ব। এই ছেগতে সি ঘৰলৈ যাবলৈ স্থিৰ কৰিলে।

ইপিনে জেউতিহঁতৰ 'কলেজ সপ্তাহ' আৰম্ভ হৈছে। সপ্তাহটোৰ বিভিন্ন কাৰ্যসূচীত সকলোৱে ব্যস্ত হৈ পৰিছে। সকলোৰে মনলৈ আনন্দ আৰু স্ফূৰ্তিৰ জোৱাৰ আহিছে। আন আন ছোৱালীৰ লগত জেউতিও কাৰ্যসূচীত অংশগ্ৰহণ নকৰাকৈ থকা নাই। এই 'কলেজ সপ্তাহ' চলি থকা সময়তে বিজয় চৌধুৰীয়ে কিবা এটা কৰিব লাগিব বুলি পাঙিলে।

ভবামতে বিজয়ে কামটো সম্পন্ন কৰিবলৈ প্ৰস্তুত হ'ল। অসৎ উপায়েৰে ধন ঘটা অভয় চৌধুৰীৰ পুত্ৰ বিজয়। তাৰ টকাৰ অভাৱ নাই। আজিকালি টকা থাকিলে সকলো কাম কৰিব পাৰি। সেয়ে বিজয়ে টকাৰে কেইজনমানক বশ কৰি তাৰ সহায়কাৰী হিচাপে ল'লে। উদ্দেশ্য আছিল যে জেউতিক বলপূৰ্বকভাৱে সি কোনোবা গোপন স্থানলৈ লৈ যাব; কিন্তু তাৰ উদ্দেশ্য সাধন নহ'ল। ইতিমধ্যে জেউতিৰ অসুখ হোৱাত তাই ঘৰতে চিকিৎসাধীন হৈ থাকিল।

বিজয়ে পিছত এটা উপায় চিন্তা কৰি উলিয়ালে। সি ঘৰত মা দেউতাকৰ আগত জেউতিক বিয়া কৰাব বুলি প্ৰস্তাৱ দিলে। পঢ়ি থকা অৱস্থাত তেওঁলোকে প্ৰথমতে মত দিয়া নাছিল যদিও পিছত বিজয়ে জোৰকৈ ধৰাত তেওঁলোকে মান্তি হ'ল। অভয় চৌধুৰীৰ একমাত্ৰ সন্তান বিজয়। সৰুৰেপৰা লাহ বিলাসত ডাঙৰ হোৱা ল'ৰা জানোচা ঘৰৰপৰা ওলাই যায়। সেয়ে চৌধুৰী ডাঙৰীয়াই বিয়াৰ প্ৰস্তাৱ জেউতিৰ দেউতাকক কেইদিনমান পিছত জনালে। জেউতিয়ে কলেজত পঢ়ি আছে। গতিকে তেওঁ তাইৰ বিয়া-বাৰুৰ কথা চিন্তা কৰা নাই। মাকৰো সেই একে মত। তদুপৰি বিজয় ভাল ল'ৰা নহয়। আনহাতে জেউতিয়ে তাক ঘৃণা

কৰে। মাকে এই সম্পৰ্কে তাইক কোৱাত তাই কৈ উঠে, "মোৰ পঢ়া শেষ হোৱা নাই। গতিকে তোমালোকে মোৰ বিয়াৰ কথা লৈ চিন্তা নকৰিবা। আনহাতে বিজয়ক মই ঘৃণা কৰোঁ।"

তাইৰ এনে খোলাখুলি কথাত মা-দেউতাকে মনে মনে থাকিল। কিন্তু অভয় চৌধুৰীৰ পৰা আকৌ অনুৰোধ আহিল। চৌধুৰীয়ে জেউতিহঁতৰ ঘৰলৈ নিজে এদিনাখন আহি জেউতিৰ দেউতাকক সকলোখিনি বিৱৰি ক'লে। আনকি এই কথাও ক'লে যে বিয়াৰ সকলো খৰচ তেওঁ বহন কৰিব। তেওঁলোকে কেৱল ছোৱালীজনীক উলিয়াই দিব লাগে। আনকি বিয়াৰ পিছতো জেউতিয়ে কলেজত পঢ়ি থাকিব পাৰিব। অভয় চৌধুৰী জেউতিৰ দেউতাকৰ বাল্য বন্ধু। এনেস্থলত তেওঁৰ অৱস্থা দুই নাৱত ভৰি দিয়াৰ দৰে হ'ল। সেয়ে চৌধুৰীক দুদিন পিছত তেওঁৰ সিদ্ধান্ত জনাব বুলি তেওঁ কলে।

জেউতিৰ দেউতাকৰ আৰ্থিক অৱস্থা বিশেষ ভাল নহয়। প্ৰাইমাৰী স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক হিচাপে পোৱা পেঞ্চনখিনি আৰু অলপ খেতি মাটিৰপৰা পোৱা ধানখিনিৰে তেওঁ কোনোমতে পৰিয়ালটি চলাইছে। বিয়াৰ খৰচ চৌধুৰীয়ে বহন কৰিব। আনহাতে তেওঁ ধন আৰু প্ৰতিপত্তি থকা মানুহ। তেওঁ তেওঁৰ বন্ধুও। এনে স্থলত তেওঁৰ অনুৰোধ ৰাখিব নোৱাৰিলে জানোচা পৰিণাম বেয়া হ'ব। তেওঁ চিন্তাত পৰিল। কথাটো ঘৈণীয়েকৰ কাণ চোৱালে। দুয়ো বিপাঙত পৰিল। মাকে চিন্তা কৰিলে যে কিবা প্ৰকাৰে জেউতিৰ মন ঘূৰাব পাৰিলে ভাল হ'লহেঁতেন। সেয়ে পিছদিনা ৰাতি মাকে জেউতিক সকলো কথা বিৱৰি ক'লে। কিন্তু জেউতিয়ে কাৰো কথা নুশুনে। তাই এতিয়া পঢ়ি আছে যেতিয়া তেওঁলোকে তাইৰ বিয়াৰ কথা কোৱা অনুচিত বুলি তাই ক'লে।

জেউতি বৰ চিন্তিত হৈ পৰিছে। তাই যে নিৰুপায়। তাই ভাবে যে বিকাশ আহিলে নিশ্চয় কিবা এটা উপায় উলিয়াব। কিন্তু বিকাশ কেতিয়া আহিব সেইটো অনিশ্চিত। সেয়ে তাই আৰু পলম নকৰি বিকাশলৈ সি ঘৰলৈ আহিব লাগে বুলি এখন চিঠি ডাকযোগে পঠিয়ালে। ইফালে অভয় চৌধুৰীয়ে মানুহ পঠিয়াই আছে আৰু জেউতিৰ দেউতাকক পলম নকৰি বিয়াখন পতাৰ ব্যৱস্থা কৰিব লাগে বুলি জোৰকৈ ধৰিছে।

জেউতিৰ মাক-দেউতাকে কি সিদ্ধান্ত ল'ব একো ঠিক কৰিব পৰা নাই। মৰম স্নেহত ডাঙৰ-দীঘল হোৱা জেউতিৰ মনত দুখ দিবলৈ তেওঁলোকে ইচ্ছা কৰা নাই। ইফালে বিশ্ববিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে বিকাশৰ কামৰ দায়িত্ব বাঢ়িছে। গতিকে তাৰ ঘৰলৈ অহাত কিছুদিন পলম হ'ব। জেউতিৰ চিঠিখন সি যথাসময়ত পায়। কিন্তু জেউতিয়ে চিঠিখনত আচল কথাটো নিলিখা হেতুকে সি তাত বেছি গুৰুত্ব নিদিলে। সেয়ে সি তাইক চিঠি এখনেৰে জনালে যে তাৰ ঘৰলৈ যোৱাত কেইদিনমান পলম হ'ব।

জেউতিয়ে কিন্তু বিকাশক ভুল বুজিলে। বিকাশৰ চিঠিখন পঢ়ি তাই ভাবিলে যে বিকাশে আজিকালি তাইক পাহৰি গ'ল। সি আজি বহুদিন ধৰি অহা নাই। ইয়াৰ উপৰি তাইৰ অনুৰোধো সি নাৰাখিলে। তাইৰ বুজিবলৈ বাকী নাথাকিল যে বিকাশে তাইক পাহৰি যাবলৈ চেষ্টা কৰিছে। ইফালে বিজয় ঘৰতে আছে। বিয়াৰ পিছতে সি যাব বুলি ঘৰত মা-দেউতাকৰ আগত কৈছে। এনে স্থলত অভয় চৌধুৰীয়ে বিয়াখন সোনকালে পাতিবলৈ জেউতিৰ দেউতাকক কৈ আছে।

জেউতিৰ মানসিক অৱস্থা বৰ বেয়া। ঘৰত মা-দেউতাকে তাইক নানা ধৰণেৰে বুজাবলৈ চেষ্টা কৰি আছে। কিন্তু তাই তাইৰ সিদ্ধান্তত দৃঢ়। এতিয়া তাই বিয়াত নবহে বুলি তাই কয়। এনে উত্তৰত মা-দেউতাকে তাইক খঙতে গালিশপনিও পাৰে। অশান্তিৰ মাজেৰে জেউতিয়ে দিনবোৰ পাৰ কৰে। বিকাশৰ প্ৰতীক্ষাত থাকি থাকি তাইৰ ধৈৰ্যৰ সীমা নাইকিয়া হৈছে। ইফালে মা-দেউতাকে তাইক বিজয়ৰ লগত বিয়া হোৱাটো বাঞ্ছা কৰে। এনেস্থলত তাই যে নিৰুপায়।

বিকাশ এতিয়ালৈকে আহি নোপোৱাত জেউতিৰ বুজিবলৈ বাকী নাথাকিল যে তাক লৈ তাই যি ভৱিষ্যতৰ সোণালী সপোন ৰচিছিল সেই সপোন দিঠকত আৰু পৰিণত হোৱাৰ সম্ভাৱনা নাই। তাই ইহসংসাৰৰপৰা

বিদায় লোৱা উচিত। একমাত্র মৃত্যুৰ পথকে তাই বাছি ল'লে। সেয়ে পিছদিনা ৰাতিপুৱা নৈৰ পানীত তাইৰ মৃতদেহ পোৱা গ'ল। তাইৰ জীৱন নাটকৰ অৱসান ঘটিল। সকলোকে কন্দুৱাই তাই চিৰদিনৰ বাবে এই সংসাৰৰ পৰা বিদায় ল'লে।

জেউতিক চিৰ জীৱনৰ কাৰণে হেৰুৱাই বিকাশ প্ৰায় পাগলৰ দৰে হৈ পৰিল। চাৰিওফালে সি কেৱল অন্ধকাৰ দেখিলে। জেউতিক লৈ সি ভৱিষ্যতৰ যি সোণালী সপোন ৰচিছিল সি আৰু দিঠকত পৰিণত নহ'ল। তাৰ জীৱনত কেৱল হতাশা, বিফলতা আৰু নিৰুৎসাহে বেৰি ধৰিলে। সকলো উৎসাহ, উদ্দীপনা তাৰ নাইকিয়া হ'ল। মৃণালে তাক সকলো বুজায়ো তাৰ মনৰ একো পৰিবৰ্তন আনিব নোৱাৰিলে। সমাজত প্ৰচলিত অন্যায় অবিচাৰ আৰু এক শ্ৰেণীৰ মানুহৰ দুৰ্নীতি, শোষণ আৰু উৎপীড়নে বিকাশৰ মনক বৰ আঘাত দিলে। এইবোৰৰপৰা আমাৰ সমাজ বা দেশখনক কেনেকৈ উদ্ধাৰ কৰিব পাৰি সেই চিন্তাই তাক ব্যতিব্যস্ত কৰি তুলিলে।

বিকাশৰ পঢ়া-শুনাত মন নবহা হ'ল। অসুখ বুলি 'মেডিকেল চাৰ্টিফিকেট' এখন দি সি তাৰ সম্পাদকৰ দায়িত্বৰ পৰা অব্যাহতি ল'লে। কিছুদিন পিছত সি পঢ়া-শুনা এৰি ঘৰতে বহি থাকিল। শুভাকাংক্ষীসকলে তাক বুজায়ো তাৰ মনৰ পৰিবৰ্তন আনিব নোৱাৰিলে। বিকাশৰ এনে অৱস্থা দেখি মৃণালৰো তদ্ৰূপ হ'ল। সিও পঢ়া-শুনা এৰি বিকাশৰ লগত একে পথৰ যাত্ৰী হ'ল। দুয়ো অন্যায় অবিচাৰ আদিৰ বিৰুদ্ধে থিয় হৈ এখন নিকা সমাজ গঢ়ি তুলিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল। দুয়ো আৰু কেইজনমানক লৈ এটা সংগঠন আৰম্ভ কৰিলে। ঘৰ এৰি গোপন স্থানৰপৰা সিহঁতৰ সংগঠনৰ কাম চলাই গ'ল। ধন সংগ্ৰহৰ নামত অন্যায়ভাৱে ধন সংগ্ৰহ কৰা ব্যক্তিক হত্যা কৰিলে। দৰিদ্ৰৰ ওপৰত উৎপীড়ন চলোৱা ব্যক্তিক জীয়াই জীয়াই পুৰি মাৰিলে। অভয় চৌধুৰী আৰু তেওঁৰ পুত্ৰ বিজয় চৌধুৰীক ধৰি নি যমৰ যাতনা দি মাৰিলে। এনেকৈয়ে সংগঠনটোৱে অপৰাধ কৰি যাবলৈ ধৰিলে। ফলস্বৰূপে সমগ্ৰ অঞ্চলটোত এক ত্ৰাসৰ সৃষ্টি হ'ল। সংগঠনৰ নেতৃবৰ্গক ধৰিবৰ বাবে চৰকাৰে এক ব্যাপক অভিযান চলালে। পুলিচ সূত্ৰৰপৰা চৰকাৰে জানিব পাৰিলে যে বিকাশ আৰু মৃণালে এই সংগঠনৰ নেতৃত্ব লৈছে। সেয়ে সিহঁতক আটক কৰিবলৈ সৈন্য-সামন্তেৰে এক অভিযান আৰম্ভ হ'ল। সিহঁতৰ পৰিয়ালৰ ওপৰত সেনাৰ অত্যাচাৰ আৰম্ভ হ'ল। বিকাশৰ ভনী শেৱালিৰ মৃত্যু হ'ল। মাকৰ অৱস্থাও বেয়াৰ পিনে ঢাল খালে।

বিকাশে এই খবৰ পোৱাত অস্থিৰ হৈ পৰিল। সি নিৰুপায়। সি আৰু মৃণালে পলাই ফুৰিছে। সেনাই এদিন সিহঁতৰ গোপান ঘাটিটো বিচাৰি পালে। ঘাটিটোৰ চাৰিওফালে সেনাই বেৰি ধৰিলে। দুয়োপক্ষৰ মাজত গুলিয়াগুলী চলিল। তাত থকা মৃণালৰ গাত গুলী লগাত তাৰ মৃত্যু হ'ল। বিকাশ পলাই সাৰিল। কেইজনমানক আটক কৰি ঘাটিটো ধ্বংস কৰি সেনা গুচি গ'ল। ইতিমধ্যে বিকাশে ডাঠ হাবি এখনত সোমাই কোনোমতে আত্মৰক্ষা কৰিলে।

পলাতক বিকাশ ভাগৰি পৰিছে। সি এতিয়া অতীত স্মৃতি মন্থন কৰি দুখ কৰিছে। তাৰ কলেজীয়া জীৱনৰ কথা মনত পৰিছে। তাৰ লগতে পোৱা জীৱনৰ তিক্ততা আৰু বৰ্তমানৰ অৱস্থাই তাৰ মন সাগৰত এক প্ৰবল ধুমুহাৰ সৃষ্টি কৰিলে। তাৰ চিঞৰি দিবৰ মন গল। তাৰ জীৱনত সি কি হ'ব লাগিছিল আৰু কি কৰিলে ? জীৱনত সি কি পালে ? এনে চিন্তাই তাক ব্যাকুল কৰি তুলিলে। সৰুতে দেউতাকক হেৰুওৱাত মাকে অশেষ দুখ কষ্ট কৰি তাক ডাঙৰ দীঘল কৰিছিল আজি মাকক এৰি সি সমাজত ন্যায় প্ৰতিষ্ঠা কৰিবৰ বাবে আৰু আনকি জাতীয় জীৱনক এক নতুন ৰূপ দিয়াৰ উদ্দেশ্যে আগ্নেয় অস্ত্ৰ হাতত তুলি লৈছে। কিন্তু তাৰ পৰিণতি কি হ'ল ? নিজৰ যুৱতী ভনীজনীক সি অকালতে হেৰুৱালে। প্ৰতিটো ক্ষণৰ সুখ-দুখৰ সহভাগী মৃণাল চিৰদিনৰ বাবে তাৰপৰা আঁতৰি গ'ল। তাৰ জীৱনৰ সকলো উচ্চ আকাংক্ষা চূৰমাৰ হ'ল। এইবিলাক ভাবি সি অস্থিৰ হৈ পৰিল। জীৱনত যে সি কিমান ডাঙৰ ভুল কৰিলে সি এতিয়াহে উপলব্ধি কৰিলে।

পলমকৈ হ'লেও বিকাশে এটা কথা উপলব্ধি

কৰিলে যে হত্যা, লুণ্ঠন আদিৰদ্বাৰা মানুহৰ মাজত ত্ৰাসৰ সঞ্চাৰ কৰি সমাজত ন্যায় প্ৰতিষ্ঠা কৰিব নোৱাৰি । সত্য আৰু অহিংসাৰ পথ অৱলম্বন কৰি সেইটো কৰা সম্ভৱপৰ । জাতিৰ পিতা মহাত্মা গান্ধীয়েও সেই পথ অনুসৰণ কৰি ইংৰাজক খেদি আমাৰ দেশৰ স্বাধীনতা আনিছিল । আজি মাৰ্কলৈ তাৰ বাৰ্কৈ মনত পৰিছে । মাকে নিশ্চয় পুতেক আৰু জীয়েকক হেৰুৱাই অসহায় আৰু নিৰাশ্ৰয় হৈ পৰিছে । তেওঁ খুব সম্ভৱ চকুৰ পানী পেলাই বাট নেদেখা হৈছে। তেওঁৰ দিন কেনেকৈ পাৰ হৈছে - একমাত্ৰ ঈশ্বৰেহে জানে !

আজি বিকাশৰ মন হৈছে যে সি মাকক দেখা কৰিবই লাগিব । পুলিচে তাক ধৰাৰ চেষ্টা এৰি নিদিব । কিন্তু সি ধৰা পৰাৰ আগতে মাকৰ ওচৰলৈ যাবই লাগিব । তাক দেখি দুখুনী মাকে নিশ্চয় পৰম সান্ত্বনা লভিব । হেৰোৱা পুতেকক পাই তেওঁৰ আনন্দৰ সীমা নাইকিয়া হ'ব । তাক তেওঁৰ বুকুৰ মাজত সুমুৱাই লৈ তেওঁ পৰম শান্তি লভিব আৰু আনন্দত অধীৰা হৈ পৰিব । মাকৰ ওচৰত সি তাৰ ভুল ত্ৰুটিৰ বাবে ক্ষমা খুজিব । এনেবোৰ ভাবে বিকাশৰ মনক অস্থিৰ কৰি তোলে । চকুলোৰে সি কেৱল অন্ধকাৰে দেখিছে । অনুতাপৰ জুইয়ে তাৰ অন্তৰখনক পুৰি মৰিছে । তাৰ কাৰণে এই সংসাৰখন যে হৈ পৰিছে নিৰানন্দময় আৰু অন্ধকাৰে আবৃত ।

জীৱন আনন্দও নহয়, যন্ত্ৰণাও নহয়, ই এটা কঠিন কৰ্ত্তব্য । সাহস আৰু আত্মোৎসৰ্গৰ মনোভাৱেৰে এই কৰ্তব্য পালন কৰাত ব্ৰতী হ'ব লাগে ।

- দা টিকৰিল

চৰিত্ৰত জাতীয়তাবোধহীন লোকৰ সংখ্যা যি দেশত যিমান সৰহ, সেই দেশ সেই পৰিমাণে অধঃপতনলৈ নামি যায় । জাতীয়তাবোধ চৰিত্ৰ দেশবাসীৰ ভিতৰত সংগঠিত নহ'লে সেই দেশ নাথাকে ।

- অম্বিকাগিৰী ৰায় চৌধুৰী

# ৰেল আলিত

*সত্যজিত কলিতা*
*স্নাতক ৩য় বৰ্ষ (কলা)*

নগেন কলিতা এজন থুলন্তৰ ডেকা ল'ৰা। ঘৰ পাহাৰী অঞ্চল এটিৰ নামনিত। ঘৰত তাৰ মাক আৰু দুই ভাই-ভনীৰ বাহিৰে আন কোনো নাই। প্ৰায় দুবছৰ পূৰ্বে তাৰ দেউতাক ঢুকাইছে। দুখীয়া পৰিয়ালত জন্মগ্ৰহণ কৰা নগেন সৰুৰেপৰা বৰ দুখ কষ্টৰ মাজেৰে ডাঙৰ দীঘল হোৱা ল'ৰা।

মেধাৱী ন'হলেও নগেন পঢ়া-শুনাত মজলীয়া ধৰণৰ ছাত্ৰ আছিল বুলি ক'ব পাৰি। মেট্ৰিকৰ দেওনা কোনোমতে পাৰ হৈছিল যদিও অৰ্থৰ অভাৱত কলেজীয়া জীৱনৰপৰা বঞ্চিত হ'ব লগা হৈছিল। তদুপৰি দেউতাকৰ মৃত্যুৱে তাৰ উচ্চ শিক্ষা লোৱাৰ হেঁপাহত চেঁচা পানী ঢালিছিল। সি চাকৰিৰ অনুসন্ধানত ওলাবলগীয়া হ'ল। ভাগ্যক্ৰমে ওচৰৰে সৰু চহৰখনত কেৰাণীৰ চাকৰি এটা পোৱাত পৰিয়ালটি কোনোমতে চলি থাকিব পৰা হ'ল। ভাই-ভনী দুয়ো স্কুলত পঢ়াৰ সুবিধা পালে। দুয়ো স্কুললৈ নিতৌ যায় আৰু পঢ়া-শুনা নিয়মমতে কৰে।

দিনবোৰ পাৰ হৈ যায়। নগেনহঁতৰ গাঁওখনৰ কিছু দূৰত পাহাৰী অঞ্চল এটিত খাছীয়া মানুহ কিছুমানে বাস কৰে। পাহাৰত আলু-কচুৰ খেতি কৰি সেইবোৰ ওচৰৰ বজাৰত বেচি সিহঁতে পেট প্ৰৱৰ্ত্তায়। তাতে এণ্টিনা নামৰ ছোৱালী এজনীয়ে মাকেৰে সৈতে সৰু পঁজা ঘৰ এটাত বাস কৰে। বৃদ্ধা মাকৰ বাহিৰে তাইৰ ইহ সংসাৰত আৰু কোনো নাই। ঘৰত মাকে তাইক 'এনি' বুলিয়ে মাতে। এনি খাছী ছোৱালী হ'লেও অসমীয়া ক'ব পাৰে। এই ষোড়শী গাভৰু ছোৱালীজনীৰ লগত এদিন বজাৰত হঠাতে নগেনৰ চিনাকি হ'ল। পৰিচয় হ'ল যেতিয়া এনিয়ে নগেনক সিহঁতৰ ঘৰলৈ আহিবলৈ কৈ তাৰপৰা বিদায় লৈ ঘৰমুৱা হ'ল।

নগেনে এনিৰ অনুৰোধ ৰক্ষা কৰি এদিনাখন সিহঁতৰ ঘৰলৈ ওলাল। যথাসময়ত তালৈ গৈ পোৱাত এনিয়ে তাক ঘৰৰ ভিতৰলৈ আহিবলৈ ক'লে। তাই নগেনক মাকৰ লগত চিনাকি কৰি দিলে। মাকে নগেনৰ লগত চিনাকি হ'বলৈ পাই বৰ আনন্দিত হ'ল। কিছু সময় কথা পাতি নগেনে চাহ-পানী খাই এনিৰপৰা বিদায় লৈ ঘৰলৈ উভতিল। সি মাজে সময়ে এনিহঁতৰ ঘৰলৈ গৈ সিহঁতৰ খা-খবৰ লৈ আহে।

এদিন এনিৰ মাক টান নৰিয়াত পৰিল। নগেনে খবৰ পাই এনিহঁতৰ ঘৰলৈ গ'ল। এনিৰ মাক শয্যাগত। সি গৈ পোৱাত এনিয়ে তাক ভিতৰলৈ মাতি নিলে। বিছনাৰ কাষলৈ গৈ নগেনে এনিৰ মাকক মাতিলে। তাৰ মাত শুনি মাকে কৈ উঠিল, "নগেন বোপা, আহিছা। ভালে হ'ল বোপা, তুমি অহাত। মই আৰু জীয়াই নাথাকিম। গতিকে তোমাৰ ওচৰত মোৰ এটা অনুৰোধ। তুমি এনিক চাবা। মোৰ বাহিৰে তাইৰ ইহ সংসাৰত আৰু কোনো নাই। মোৰ অবিহনে তাই অকলশৰীয়া হ'ব। সেয়ে এনিক তোমাৰ হাততে গতালোঁ।" ইয়াকে কৈ বুঢ়ীয়ে চিৰদিনৰ কাৰণে চকু মুদিলে। এনিয়ে মাকক ধৰি চিঞৰি চিঞৰি কান্দিব ধৰিলে। তাইৰ কন্দোন শুনি ওচৰৰ মানুহখিনি আহিল। সকলোৱে তাইক সান্ত্বনা দিলে। পিছত নগেন আৰু আন সকলোৱে মৃতকৰ সংকাৰ কৰিলে। ওচৰৰে দূৰ সম্পৰ্কীয় তিৰোতা এগৰাকীক এনিৰ লগত কেইদিনমান থকাৰ ব্যৱস্থা কৰি দি নগেন দুখ মনেৰে ঘৰলৈ উভতিল।

ঘৰত মাকক এনিৰ সম্পৰ্কে সকলো কথা বিবৰি ক'লে। ইহ সংসাৰত এনিৰ আৰু কোনো নাই। সেয়ে তাইৰ মাকৰ ইচ্ছা অনুসৰি এনিক সি তাৰ জীৱনৰ চিৰ লগৰীয়া কৰি লোৱাৰ অভিপ্ৰায়ো ব্যক্ত কৰিলে। মাকে তেওঁৰ কোনো আপত্তি নাই বুলি ক'লে। কিন্তু গাঁওখনৰ মানুহখিনিৰ লগত কথাটো আলোচনা কৰা উচিত হ'ব বুলি তেওঁ ক'লে। পিছদিনা নগেনে খবৰ পালে বোলে তিৰোতাগৰাকীয়ে নিজৰ ঘৰ-সংসাৰ এৰি এনিৰ লগত থাকিব নোৱাৰে। সেয়ে নগেনে

কিবা এটা ব্যৱস্থা কৰিব লাগে। নগেনে আৰু পলম নকৰি মাকৰ লগত কথাটো আলোচনা কৰি এনিক সিহঁতৰ ঘৰলৈকে আনি ৰখাৰ সিদ্ধান্ত ল'লে। সেইমতে এনিৰ তালৈ গৈ সকলো বয় বস্তুৰে তাইক সিহঁতৰ ঘৰলৈ আনি বেলেগ ঘৰ এটাত সদ্যহতে থাকিব দিলে।

অহুকাণে-পহুকাণে কথাটো গাঁৱৰ মুখিয়াল মানুহ কেইজনমানৰ কাণত পৰিল। তেওঁলোকে কথাটো ভাল নাপালে। তেওঁলোকৰ লগত আলোচনা নকৰাকৈ নগেনে খাছীয়া ছোৱালী এজনীক ভৱিষ্যতে বিয়া কৰিব বুলি মন কৰি নিজ ঘৰত তেনেকৈ ৰখাটো এটা সমাজ বিৰোধী কাম হোৱা বুলি তেওঁলোকে ধৰি ল'লে। গতিকে ইয়াৰ এটা উচিত বিচাৰ হ'ব লাগে বুলি তেওঁলোকে সিদ্ধান্ত ল'লে। সেয়ে এদিনাখন গাঁৱৰ ৰাইজক মাতি তেওঁলোকে মেল পাতিলে। নগেনকো মতাই অনা হ'ল।

ৰাইজৰ বিচাৰ আৰম্ভ হ'ল। বিচাৰত নগেনক ৰাইজে দোষী সাব্যস্ত কৰিলে। তেওঁলোকৰ মতে নগেনে বেলেগ জাতিৰ ছোৱালীজনীক বিয়া কৰিব নোৱাৰে। আনহাতে গোপনে তেনে ছোৱালীক আনি নিজৰ ঘৰত ৰখাৰ কাৰণে নগেনে পাঁচশ টকা জৰিমনা দিব লাগিব। নগেনে ইয়াত সম্মত নোহোৱাত ৰাইজে নগেনৰ ওপৰত ল'বলগীয়া শাস্তিমূলক ব্যৱস্থাৰ বাবে গাঁৱৰে বয়োজ্যেষ্ঠ মানুহ ৰত্নধৰকে ক'বলৈ ক'লে। ৰত্নধৰে থিয় হৈ ক'লে, "ৰাইজ, নগেন এজন উঠি অহা ডেকা ল'ৰা। সি আমাৰ গাঁৱৰে ল'ৰা। তাৰ প্ৰতি আমাৰ কোনো ধৰণৰ হিংসা ভাৱ থাকিব নোৱাৰে। তাক আমি সকলোৱে ভালকৈ জানোঁ। সৰুৰেপৰা সি বৰ দুখ-কষ্টেৰে ডাঙৰ-দীঘল হৈছে। গতিকে তাৰ প্ৰতি আমাৰ সকলোৰে মৰম ভাৱ নথকা নহয়। কিন্তু যিহেতু সি আজি আমাৰ অৰ্থাৎ ৰাইজৰ ব্যৱস্থাত ৰাজী নহ'ল, সেয়ে তাৰ প্ৰতি আমি এটা কঠোৰ ব্যৱস্থা ল'ব লাগিব। তাক আজিৰপৰা এঘৰীয়া কৰা হওক। কোনেও তেওঁক বিপদ-আপদত সহায় কৰিবলৈ যাব নোৱাৰিব। আনকি কোনো গঞালোকে তেওঁৰ লগত কথা পাতিলে বা তেওঁৰ তাত অহা যোৱা কৰিলে তেওঁ ১০০ টকা জৰিমনা দিব লাগিব।" ইয়াকে কৈ ৰত্নধৰে বহিল। ৰাইজো তেওঁৰ কথাত মান্তি হ'ল।

নগেন খন্তেক নিমাত হৈ থাকিল। সি ভাবিছে যে ৰাইজৰ বিচাৰৰ সিদ্ধান্ত সি মূৰ পাতি নল'লে সি ওৰে জীৱন এঘৰীয়া হৈ থাকিব লাগিব। ই জানো তাৰ কাৰণে সম্ভৱপৰ হ'ব। মানুহ সমাজপ্ৰিয়। সমাজৰ লগত মিলি-জুলি থকা মানুহৰ স্বভাৱ। এনে স্থলত এঘৰীয়া হৈ জীৱন কটোৱাটো তাৰ কাৰণে অসম্ভৱ। কিন্তু এনিৰ কি হ'ব? তাই যে নিৰাশ্ৰয়া। তাইক উলিয়াই দিলে তাই কলৈ যাব? একমাত্ৰ আত্মহত্যাৰ বাহিৰে তাইৰনো আৰু কি উপায় থাকিব! আনহাতে মৃত্যুশয্যাত থাকি মাকে তাইক তাৰ হাতত গতোৱা কথাষাৰৰ মূল্য যে সি ৰাখিব লাগিব। এনেস্থলত ৰাইজৰ লগত থাকি তাৰ কি লাভ হ'ব? নাই- সি কেতিয়াও এনিক তাৰ জীৱন পথৰপৰা আঁতৰি যাব দিব নোৱাৰে। এনিক সি তাৰ জীৱনৰ চিৰ লগৰীয়া কৰি ল'বই। ইয়াৰ কাৰণে সি যিকোনো অশুভ পৰিস্থিতিৰ সন্মুখীন হ'বলৈ প্ৰস্তুত।

সেয়ে থিয় হৈ নগেনে ক'লে, 'ৰাইজ, আপোনালোকৰ ইচ্ছাই পূৰণ হওক। মই আপোনালোকৰ সিদ্ধান্ত মানি ল'ব নোৱাৰোঁ। মই এঘৰীয়া হৈয়ে থাকিম।" ইয়াকে কৈ নগেন গুচি গ'ল। ৰাইজো ঘৰাঘৰি হ'ল। ঘৰলৈ আহি নগেনে মাক আৰু এনিক সকলো কথা ক'লে। এনিয়ে তেতিয়া চিঞৰি কৈ উঠিল, 'নাই, নগেন দা, মই যাম। মোৰ বাবে আপুনি কিয় জীয়াতু ভুগিব? মই পাহাৰলৈ গুচি যাম। মোক যাব দিয়ক।" এইবুলি কৈ এনি যাবৰ কাৰণে কাপোৰ-কানি সামৰিবলৈ ধৰিলে। তৎক্ষণাত নগেনে এনিৰ হাতত ধৰি বাধা দি ক'লে, 'এনি, তুমি যাব নোৱাৰা। তোমাৰ মাৰাই মৃত্যুৰ পূৰ্বে কৈ যোৱা কথাষাৰ পাহৰি গলা নেকি? তোমাক মই যাব দিব নোৱাৰোঁ। তুমি আমাৰ লগতে থাকিব লাগিব। ইয়াৰ কাৰণে মই যিকোনো পৰিণামৰ সন্মুখীন হ'বলৈ প্ৰস্তুত।" এনি অজ্ঞান হৈ হঠাতে মাটিত বাগৰি পৰিল। তৎক্ষণাত মাকে এনিক বিছনাত শুৱাই থলে। নগেনে পানী আনি এনিৰ চকুত ছটিয়াই দিয়াত এনি সুস্থ হৈ উঠিল।

এনিয়ে আকৌ কৈ উঠে, "মোৰ আশা বাদ দিয়ক, নগেন দা। মোৰ কাৰণে আপুনি কিয় আপোনাৰ সুখৰ সংসাৰখনত বিশৃঙ্খলা আনিব ?" এই বুলি কৈ তাই চিঞৰি কান্দি উঠে। নগেন আৰু মাকে তাইক সান্ত্বনা দি শুই থাকিবলৈ ক'লে।

নিশা ভাত খাই আহি বিছনাত এনিয়ে মাথো ভাবিছে। এটা কথাই তাইক বৰ দুখ দিছে যে তাইৰ কাৰণে নগেন দা এঘৰীয়া হৈ থাকিব। ভাই-ভনী আৰু মাকেৰে সৈতে কটোৱা তেওঁৰ সুখৰ জীৱনলৈ নামি আহিব ধুমুহা। নাই, তাই এইটো হ'ব নিদিয়ে। তাই বৰং ইয়াৰপৰা আঁতৰি যাব। কিন্তু ক'লৈ যাব ? তাই যে নিৰাশ্ৰয়া! ইহসংসাৰত যে তাইৰ কোনো নাই! জীয়াই থকাৰ সাৰ্থকতা তাই বিচাৰি নাপায়। তাইৰ মূৰ ঘূৰি যোৱা যেন অনুভৱ হ'ল। সেয়ে তাই এই সংসাৰৰপৰা চিৰদিনৰ বাবে গুচি যাবলৈ সিদ্ধান্ত ল'লে।

নগেন আৰু মাকে এনিক চিন্তা নকৰি শুই থাকিবলৈ কৈ দুৱাৰখন বন্ধ কৰি দিবলৈ ক'লে আৰু তেওঁলোকেও শুই থাকিল। কিন্তু এনিৰ টোপনি নাহিল। শেষ ৰাতিলৈকেও তাই সাৰে আছে। চাৰিওফালে এন্ধাৰ নিস্তব্ধতাই বিৰাজ কৰিছে। লাহে লাহে এনি বিছনাৰপৰা উঠিল। কাগজ কলম হাতত লৈ নগেন দালৈ চিঠি এখন লিখিবলৈ তাই বহিল। কি ধৰণে চিঠিখন লিখিব তাই ভাবিব পৰা নাই। অকস্মাৎ তাইৰ গাটো কঁপি উঠে। তাইৰ দুগালেদি চকুপানী বাগৰি যায়। কলমটো হাতেৰে ধৰি ৰাখিবলৈও তাইৰ শক্তি নাইকিয়া হৈছে। শেষত ধৈৰ্য্য সহকাৰে তাই চিঠিখন লিখিবলৈ ল'লে, -"নগেন দা, প্ৰথমে এই অভাগিনীৰ সেৱা গ্ৰহণ কৰিব। জীৱনত আপোনাৰ ঋণ মই পৰিশোধ কৰিব নোৱাৰিলোঁ। কিবা দোষ কৰিলে মোক ক্ষমা কৰিব। মোৰ আৰু এই সংসাৰত জীয়াই থাকিবৰ মন নাই। মই চিৰ বিদায় ল'ব খোজো। মোৰ কাৰণে আপুনি সকলো দুখৰ বোজা শিৰত তুলি ল'ব-ই মই সহ্য কৰিব নোৱাৰোঁ। আপুনি সুখত থাকিলে মই সুখী হ'ম। সেয়ে আপুনি যদি মোক সঁচাকৈ ভাল পাইছে তেন্তে মোক পাহৰি আপুনি মনেলগা এজনীক বিয়া কৰিব। মোৰ আত্মাই পৰম সুখ আৰু শান্তি লভিব। এয়ে মোৰ আপোনাৰ ওচৰত শেষ অনুৰোধ। আহিলোঁ। আপুনি মোক পাহৰি যাব। মোক বিচাৰি হাবাথুৰি নাখাব। ওচৰৰ ৰেল লাইনতে মোৰ জীৱনৰ শেষ যাত্ৰা। আহিলোঁ। চিৰ বিদায়-

আপোনাৰ

এনি

চিঠিখন মেজত থৈ তাই শেষবাৰৰ বাবে কোঠাটো চাই চাকি নুমাই ঘৰৰ বাজ হ'ল। ঘোপমৰা এন্ধাৰ ৰাতি তাই সকলো ভয় পৰিহৰি খৰধৰকৈ খোজ লৈছে- ৰেল লাইনৰ পিনে।

ইপিনে এটা বেয়া সপোন দেখি নগেনে অকস্মাৎ সাৰ পালে। তাৰ মনটো বেয়া লাগি গ'ল। এনিৰ কথা তাৰ মনত পৰিল। সি বিছনাৰপৰা উঠি দুৱাৰ খুলি তৎক্ষণাৎ এনিৰ কোঠালৈ গ'ল। কোঠাটোৰ দুৱাৰ খোলা। সি সোমাই চাকি জ্বলাই দেখিলে, - এনি বিছনাত নাই! মেজৰ ওপৰত পৰি থকা চিঠিখন সি তুলি ল'লে। চিঠিখন পঢ়ি সি পাগলৰ দৰে হ'ল। সি চিঞৰি মাকক মাতি ক'লে যে এনি নাই। তৎক্ষণাৎ সি ৰেল লাইনৰ পিনে দৌৰিবলৈ ধৰিলে। ৰেল লাইনৰ ওচৰ পাওঁতে সি ৰেলগাড়ী অহা শব্দ শুনিলে। সি লাইনৰ ওপৰেদি সিপিনে দৌৰিবলৈ ধৰিলে। এন্ধাৰত সি তাৰ সন্মুখত কোনোবাই গাড়ী অহাৰ পিনে দৌৰি থকা দেখা পালে। তাৰ বুজিবলৈ বাকী নাথাকিল। তৎক্ষণাৎ সি দৌৰি গৈ থাপ মাৰি এনিক লাইনৰপৰা আঁতৰ কৰি আনিবলৈ যাওঁতে চলন্ত গাড়ীয়ে দুয়োকে খুন্দা মৰাত দুয়ো তলৰ নৰ্দমাত ছিটিকি পৰিল আৰু দুয়ো মৃত্যুৰ কোলাত আশ্ৰয় ল'লে। কেৱল ওচৰৰ বটগছ জোপাত থকা এটা হুদু চৰায়ে নিশাৰ বুকু ফালি এটা বিকট চিঞৰ মাৰিলে।

# বালিঘৰ

*মিচ্ তাহিৰা বেগম*
*স্নাতক ২য় বৰ্ষ (কলা)*

আনমনাই স্কুলৰপৰা বিয়লি চাৰি বজাত ঘৰলৈ উভতি আহি তাইৰ শোৱা কোঠাৰ চকী এখনতে খন্তেক জিৰণি ল'বলৈ বহিল। জেঠ মাহৰ ৰ'দ। বৰ চোকা। সেয়ে গৰমত তাই বৰ ক্লান্ত হৈ পৰিছে। প্ৰাইমাৰী স্কুলৰ কণ-কণ ল'ৰা-ছোৱালীহঁতৰ মাজত থাকি তাই তাইৰ অতীত জীৱনৰ তিক্ত অভিজ্ঞতা সমূহ পাহৰি থাকে । কিন্তু ঘৰলৈ উভতি অহাৰ পিছত তাইৰ অকলশৰীয়া অৱস্থাত সেইবোৰ অভিজ্ঞতাই তাইৰ মনৰ পৰ্দাত ভুমুকি মাৰে। আজিও তাইৰ মনটো ঘূৰি গ'ল তাইৰ অতীত, জীৱনৰ কৰুণ কাহিনীলৈ।

ঘৰখনত তাই আৰু ৰখা ছোৱালীজনীৰ বাহিৰে আন কোনো নাই। মাহৰ শেষত দৰমহাখিনিৰে তাই কোনো মতে চলি আছে। বন কৰা ছোৱালীজনী ওচৰৰ গাঁও এখনৰ। দেউতাকে দিন হাজিৰা কৰি পাঁচজনীয়া পৰিয়ালটো কোনোমতে চলাই গৈছে। কেতিয়াবা অনাহাৰত থাকিবলগীয়া হয়। সেয়ে তাৰ এই ডাঙৰ ছোৱালীজনীক আনমনাৰ ঘৰতে ইটো সিটো কৰিবলৈ ৰাখি থৈ যায়। বিনিময়ত আনমনাই ছোৱালীজনীক ভৰণ-পোষণ দিয়াৰ উপৰিও মাহেকত কিছু টকা তাইৰ দেউতাকক দিব লাগে। এনেকৈ ছোৱালীজনীক ৰখাৰ আজি ভালেকেইমাহ হ'ল।

আজি আনমনাৰ মনত পৰিছে তাইৰ দেউতাকৰ কথা। দেউতাক বিজয় চৌধুৰী আছিল সৰু চহৰখনৰ এজন সু-পৰিচিত ব্যক্তি। মধ্যবিত্ত শ্ৰেণীৰ চৌধুৰী আছিল বৰ অমায়িক আৰু ভদ্ৰ। তেওঁৰ ঘৈণীয়েক ঢুকাবৰ আজি ভালে কেইবছৰ হ'ল। ঘৈণীয়েকৰ মৃত্যু হোৱাৰ পিছৰপৰাই মানুহজন প্ৰায় মনমাৰি থকা যেন হৈছিল। একমাত্ৰ আনমনাৰ বাহিৰে তেওঁৰ পৰিয়ালত আৰু কোনো নাছিল। সেয়ে আনমনা আছিল তেওঁৰ বৰ মৰমৰ জীয়েক। তাইৰ লিখা-পঢ়াৰ প্ৰতি তেওঁ সদায় লক্ষ্য ৰাখিছিল। ভালদৰে পঢ়া-শুনা কৰি আনমনাই নিজৰ ভৱিষ্যত জীৱন উজ্জ্বল কৰাৰ উপৰিও তেওঁৰ নাম ৰাখক- ইয়াকে তেওঁ বিচাৰিছিল।

কিন্তু কথাতে কয় বোলে, 'মানুহে পাতে, ঈশ্বৰে ভাঙে।" হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কেইমাহমান আগতে দেউতাকে আনমনাৰ কাৰণে শিক্ষিত ডেকা প্ৰবীণ বৰুৱাক 'প্ৰাইভেট টিউটৰ' হিচাপে ৰাখে। প্ৰবীণ বৰুৱা আছিল দুখীয়া ঘৰৰ ল'ৰা। কিন্তু পঢ়া-শুনাত ভাল হোৱাৰ কাৰণে সি উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। পিছত স্নাতক পৰীক্ষাত ইংৰাজী মেজৰত দ্বিতীয় শ্ৰেণীত ভালদৰে উত্তীৰ্ণ হয়। এইবেলি সি স্নাতকোত্তৰ পৰীক্ষা দি ঘৰলৈ আহে। ঘৰ ওচৰৰে গাঁও এখনত। প্ৰথমতে টিউচন কৰিবলৈ আপত্তি কৰিছিল যদিও পিছত চৌধুৰী ডাঙৰীয়াই বৰকৈ খাটনি ধৰাত সি মান্তি হ'ল।

প্ৰবীণে সপ্তাহত তিনিদিনকৈ চাইকেলেৰে আনমনাহঁতৰ ঘৰলৈ আহি তাইক পঢ়ুৱায়। লাহে লাহে দুয়ো ইজনে-সিজন ভাল পাই উঠে। আনমনাই প্ৰবীণকে তাইৰ ভৱিষ্যত জীৱনৰ জীৱন সংগী হিচাপে পাবলৈ মনতে পাতে। প্ৰবীণো এটা সময়ত তাইক তাৰ চিৰ লগৰীয়া হিচাপে ল'বলৈ কথা দিয়ে। অতীতৰ এই স্মৃতিয়ে আজি আনমনাৰ মনৰ পৰ্দাক কঁপাই তোলে।

মেজত থকা পানী গিলাচ খাই তাই আকৌ মনত পেলাইছে প্ৰবীণৰ সান্নিধ্যত পাৰ হৈ যোৱা সুখ আৰু আনন্দৰ দিনবোৰ। যথাসময়ত আনমনাই পৰীক্ষা দিয়ে। ইতিমধ্যে প্ৰবীণহঁতৰ পৰীক্ষাৰ ৰিজাল্ট ওলায়। সি দ্বিতীয় শ্ৰেণীত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। আনমানৰ মনৰ আনন্দৰ সীমা নাইকিয়া হয়। তাই কামনা কৰে তাইৰ যেন সপোন দিঠকত পৰিণত হয়। কিন্তু মেধাৱী ল'ৰা প্ৰবীণে লিখা-পঢ়াত আৰু আগবাঢ়ি যাওক- এইটো তাই বিচাৰে। প্ৰবীণে গৱেষণা কৰি ডক্টৰেট উপাধি লওক আৰু সেই উদ্দেশ্য সি বিলাতলৈ যাব লাগে। তাই জানে

যে প্ৰবীণহঁতৰ ঘৰৰ অৱস্থা ভাল নহয়। সেয়ে দেউতাকক তাই সকলো কথা বিবৰি কয়। দেউতাকেও আনমনাৰ কথাত অমান্তি হ'ব নোৱাৰে। আনমনা তেওঁৰ একমাত্ৰ জীয়ৰী। তেওঁ তাইৰ মনৰ ভাৱ বুজি পায় আৰু সেয়ে তেওঁ তাইৰ মনত আঘাত দিব নোখোজে। চৌধুৰীয়ে সকলো কথা ভালদৰে ভাবি প্ৰবীণক বিলাতলৈ পঠিওৱা আৰু তাৰ গৱেষণাৰ সকলো খৰচ পাতিৰ দায়িত্ব লয়। মেধাৱী প্ৰবীণে এনে সুযোগ এৰি দিবলৈ টান পায় আৰু সেয়ে এদিনাখন সি সকলোৰেপৰা বিদায় লৈ বিলাতলৈ যাত্ৰা কৰে। কথাখিনি মনত পৰাত খন্তেকৰ কাৰণে হ'লেও আনমনাৰ ভাল লাগিল। প্ৰবীণে মহৎ উদ্দেশ্যে বিলাতলৈ যোৱাত তাইৰ আনন্দৰ সীমা নাইকিয়া হৈছিল। প্ৰবীণক লৈ তাই যে কিমান ৰঙীণ সপোন ৰচিছিল। তাইৰ মন-মন্দিৰত প্ৰবীণ যে আছিল তাইৰ একমাত্ৰ উপাস্য দেৱতা।

আনমনাই মনত পেলাইছে তাইৰ দেউতাকে কেনেকৈ এসময়ত ঠিকা-ঠুকা কৰি টকা সাঁচিছিল। তেওঁ সেই সৰু চহৰখনত ঘৰ-মাটি কৰি তেওঁৰ অৱস্থা লাহে লাহে টনকিয়াল কৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ মানুহজন বেমাৰী হ'ল। বহুমূত্ৰ ৰোগৰ উপৰিও ৰক্তচাপত তেওঁ ভুগি থাকিব লগা হয়। সেয়ে সকলো কাম বাদ দি তেওঁ ঘৰতে থাকিব লগা হয়। একমাত্ৰ জীয়েক আনমনাক যোগ্য পাত্ৰলৈ অৰ্পণ কৰিব পাৰিলে তেওঁ স্বস্তিৰ নিশ্বাস এৰিব পাৰে। সেয়ে আনমনাৰ উপযুক্ত পাত্ৰ তেৰো প্ৰবীণকে বিচাৰি পায়। তেওঁ লক্ষ্য কৰিছিল যে প্ৰবীণ ভাল ল'ৰা। সি বৰ অমায়িক আৰু ভদ্ৰ। গতিকে প্ৰবীণে ডক্টৰেট ডিগ্ৰী লৈ উভতি অহাৰ পিছত তাৰ লগত আনমনাৰ বিয়াখন পাতিবলৈ তেওঁ সিদ্ধান্ত লয়। বেছি পলম কৰা উচিত নহ'ব; কিয়নো তেওঁৰ স্বাস্থ্য ভাল নহয়।

আনমনাৰ একমাত্ৰ কামনা যে তাইৰ কল্পনা বাস্তৱত পৰিণত হওক। প্ৰবীণৰ অপেক্ষাত তাই থাকে- কেৱল দিনবোৰ গণি। দুয়ো চিঠি-পত্ৰেৰে দুয়োৰে খা-খবৰ লৈ নথকা নহয়। ইতিমধ্যে আনমনাহঁতৰ ৰিজাল্ট ওলায়। তাই দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। তাইৰ আনন্দৰ সীমা নাইকিয়া হয়। দেউতাকেও বৰ আনন্দ পায়। খবৰটো তেওঁ প্ৰবীণক চিঠিৰে জনায়। প্ৰত্যুত্তৰত প্ৰবীণে আনমনালৈ অভিনন্দন জ্ঞাপন কৰে। লগত তাৰ গৱেষণাৰ কাম ভালদৰে চলি থকা বুলিও জনায়। আনহাতে আনমনাই বহি নাথাকি কলেজত নাম ভৰ্ত্তি কৰিব লাগে বুলি তাইক উপদেশ দিয়ে।

আনমনাই কালেজত ভৰ্ত্তি হয়। ন-উদ্যম আৰু উৎসাহেৰে তাই তাইৰ কলেজীয়া জীৱনৰ পাতনি মেলে। কলেজৰ ভালেকেইজনী ছাত্ৰীৰ সৈতে তাইৰ বন্ধুত্ব ভাৱ ভালকৈ গঢ়ি উঠে। সিহঁতৰ লগত হাঁহি ধেমালিৰে তাই কলেজীয়া জীৱনৰ দিনবোৰ কটাই দিয়ে। ইফালে প্ৰবীণৰ পৰা তাই চিঠি পত্ৰ- পাই থাকে। কলেজীয়া জীৱনৰ কথা মনত পৰাত আনমনাৰ মনসাগৰত এক আনন্দৰ সোঁত বৈ যায়। তাইৰ হাতদুখনত মূৰটো গুজি তাই মনত পেলাইছে পৰীক্ষাৰ আগত তাই মনপুতি পঢ়া-শুনা কৰাৰ কথা। সেয়ে ১ম বাৰ্ষিক উচ্চতৰ মাধ্যমিক পৰীক্ষাত তাই ভালদৰে উত্তীৰ্ণ হয়। ইফালে প্ৰবীণে তাইলৈ চিঠি লিখি জনায় যে তাৰ গৱেষণা পত্ৰ সম্পূৰ্ণ কৰাৰ সময় চাপি আহিছে।

আনমনাৰ দেউতাকৰ শাৰীৰিক অৱস্থা দিনক-দিনে বেয়াৰ পিনে ঢাল খায়। জীয়েক আনমনাক প্ৰবীণৰ হাতত গতাই দিব পাৰিলেহে তেওঁৰ মনত শান্তি আহিব। সেয়ে প্ৰবীণে সোনকালে ডক্টৰেট ডিগ্ৰী লৈ বিলাতৰপৰা উভতি আহক- ইয়াকে তেওঁ আশা কৰি আছিল। এদিনাখন আবেলি আনমনাক ওচৰত বহিবলৈ দি তেওঁ কয়, 'মাজনী, মোৰ অসুখ নকমে। অসুখ ক্ৰমাৎ বাঢ়িয়েই আছে। সেয়ে প্ৰবীণে সোনকালে উভতি আহিলে, তোৰ বিয়াখন পতাৰ ব্যৱস্থা কৰিব লাগে। সি সোনকালে উভতি আহক - ইয়াকে মই কামনা কৰোঁ। তোৰ মা জীয়াই থকাহেঁতেন, কিমান যে আনন্দ পালেহেঁতেন।"

দেউতাকৰ কথাত আনমনাৰ দুগালেদি কেৱল চকুলো বৈ যায়। দেউতাকক সাৱটি ধৰি তাই কৈ উঠে, 'দেউতা, আপুনি তেনে কথা নক'ব। আপুনি সম্পূৰ্ণ ভাল হৈ উঠক। তাৰ পিছত মোৰ বিয়াৰ কথা চিন্তা কৰিব।" এই কথা শুনি চৌধুৰী নিমাত হৈ থাকে। আনহাতে আনমনাই তাৰ পৰা উঠি গৈ তাইৰ কোঠাত সোমায় আৰু বিছনাখনত দীঘল দি পৰে। মাকৰ কথা মনত পৰাত

আৰু দেউতাকৰ অসুস্থতাত তাই উচুপি কান্দি থাকে। দেউতাক নথকাহেঁতেন তাইৰ অৱস্থা যে কি হ'লহেঁতেন! বহুত পৰ তেনেকৈ থকাত হঠাতে দেউতাকৰ মাতত তাই উঠি বহে। দেউতাকে তাইক মাতি কৈ উঠে, 'আনমনা, মাজনী, গধূলি হৈছে। খিড়িকীবিলাক বন্ধ কৰা আৰু বাল্ববোৰ জ্বলাই দিয়া।" আনমনাই সকলো কাম কৰি যায়।

আজি আনমনাৰ এইবোৰ কথা মনত পৰাত তাইৰ বেয়া লাগে। ৰখা ছোৱালীজনী তেতিয়াও টোপনিত লালকাল দি আছে। আবেলি পৰৰ নীৰৱতাত তাই আকৌ মনত পেলাইছে প্ৰবীণৰ কথা। বিলাতত থকা প্ৰবীণৰপৰা তাই মাহেকত অন্ততঃ দুখনকৈ চিঠি পাইছিল। কিন্তু কিছুদিন ধৰি তাই প্ৰবীণৰপৰা চিঠি-পত্ৰ পোৱা নাই। আনমনা চিন্তিত হৈ পৰে। তাৰ ঘৰত খবৰ কৰাত তাই জানিব পাৰে যে প্ৰবীণে তাৰ মা-দেউতাকলৈও কোনো চিঠি-পত্ৰ কিছুদিন ধৰি লিখা নাই। উপায় নাপাই আনমনাই প্ৰবীণলৈ আকৌ এখন চিঠি লিখে। কিন্তু প্ৰায় দুমাহ পাৰ হৈ যোৱাৰ পিছতো প্ৰবীণৰপৰা কোনো চিঠি-পত্ৰ নাপালে। ইপিনে দেউতাকৰ অসুখ বেয়াৰ ফালে ঢাল খায়।

জীৱনৰ বিয়লি বেলাত আজি আনমনাৰ এইবোৰ কথা মনত পৰাত তাইৰ দুগালেদি কেৱল চকুলো বৈ গ'ল। দেউতাকৰ মুখখন তাইৰ মানস পটত স্পষ্টকৈ জিলিকি উঠিল। এই করুণ স্মৃতি আজি তাইৰ মনলৈ কিয় আহিছে? তাই পাহৰিবলৈ চেষ্টা কৰিছে, কিন্তু তাই পাহৰিব পৰা নাই।

প্ৰবীণ বৰুৱা মানুহজনক তাই ভালকৈ জানিছিল। সি তাইক খবৰ নিদিয়াকৈ থাকিব নোৱাৰে। তেন্তে তাৰ কি হ'ল? এনে দুচিন্তাই তাইৰ মনক অস্থিৰ কৰি তুলিছিল। দেউতাকো নিৰুপায়।

আনমনাৰ পঢ়া-শুনাত মন নবহা হ'ল। ইপিনে দেউতা শয্যাগত। আনপিনে প্ৰবীণৰ একো খা-খবৰ নাই। চিন্তাত তাইৰ স্বাস্থ্য বেয়াৰ পিনে ঢাল খায়। কেতিয়াবা তাই ভাবিবলৈ বাধ্য হৈছিল যে প্ৰবীণে চ'াগে প্ৰবঞ্চনা কৰিলে। তাইৰ সপোন দিঠকত পৰিণত নহয়। এনে মানসিক স্থিতিত তাইৰ দিনবোৰ অতিবাহিত হয়।

এদিনাখন আবেলি দেউতাকে আনমনাক ওচৰলৈ মাতি আনি কয়, 'আনমনা, মাজনী' তোক মই এৰাৰ কথা ক'ব খোজো। তোৰ মা জীয়াই থকাহেঁতেন, তেওঁৱে কলেহেঁতেন। যি হওক, ময়ে ক'ব লগা হ'ল। মাজনী, তই এতিয়া ডাঙৰ হৈছ। লিখা-পঢ়া কৰিছ। তোক বুজাবলৈনো আৰু কি আছে? তই দেখিছ- মোৰ অৱস্থা। মোৰ অসুখ আৰু ভাল নহ'ব। আনহাতে প্ৰবীণৰো একো খা-খবৰ নাই। সেয়ে প্ৰবীণক অপেক্ষা কৰি আৰু লাভ নাই। তাৰ আশা এৰ। তোৰ বিয়াখন পাতিব খোজো কাৰণ মই আৰু বেছিদিন জীয়াই নাথাকোঁ।"

আনমনাৰ চকুৰেদি চকুলো বাগৰিল। দেউতাকক সাৱটি ধৰি তাই কৈ উঠিল, 'মোৰ বিয়াৰ কথা নক'ব, দেউতা। বিয়াৰ কথা মই শুনিব নোৱাৰোঁ।' ইয়াকে কৈ তাই হুকহুকাই কান্দিব ধৰিলে। দেউতাকে তাইক সান্ত্বনা দি ক'লে, 'নহয়, মাজনী, তোৰ বিয়াখন পাতিব লাগে। মোৰ বাল্যকালৰ বন্ধু বীৰেশ দাসৰ পুত্ৰ ৰবীনৰ লগত তোৰ বিয়াখন পাতিব খোজো। ল'ৰাটো বৰ ভাল। ঘৰ গোলাঘাটত। সি ইঞ্জিনিয়াৰ। চাকৰি কৰে যোৰহাটাত। তোৰ কাৰণে সি উপযুক্ত হ'ব। অমান্তি নহবি, মাজনী।"

কিন্তু আনমনাই একো উত্তৰ নিদি কান্দি কান্দি নিজৰ কোঠালৈ দৌৰি গ'ল আৰু বিছনাত দীঘল দি পৰিল। দেউতাকৰ চকুৰেদি চকুলো বাগৰিল। তেওঁ কেৱল চিঞৰি ক'লে, 'আনমনা, তোৰ মতৰ বিপৰীতে মই কোনো কামেই নকৰোঁ। নাকান্দিবি, আই।" এনেতে বাহিৰত দুৱাৰত কোনোবাই ঢকিয়াইছে। লগুৱাজনে দুৱাৰখন খুলি দিয়াত পিয়নে চিঠি এখন দি গ'ল। চিঠিখন লৈ সি আনমনাৰ কোঠালৈ আহি ক'লে, 'বাইদেউ, চিঠি।' আনমনাই চিঠিখন লৈ দেখে যে এইখন প্ৰবীণে তাইলৈ লিখা চিঠি। তাইৰ মনটো আনন্দত নাচি উঠিল। তৎক্ষণাৎ চিঠিখন খুলি তাই পঢ়ি গ'ল-

'মৰমৰ আনমনা,

প্ৰথমে মোৰ আন্তৰিক মৰম ল'বা। আশা কৰোঁ তোমাৰ ভাল। আজি ভালেইকেইমাহ হ'ল মই লণ্ডনৰপৰা